Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, APRIL 07, 2025 ■ সোমবাৰ, ২৪ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০০ Guwahati, Assam ।। মূল্যঃ এটকা

## বাংলাদেশীৰ সমৰ্থকে পালে বিহুৰ উপহাৰ

ই-সংবাদ, মৰিগাঁও, ৬ এপ্ৰিলঃ আৰক্ষীক আক্ৰমণ কৰি অবৈধ বাংলাদেশীক মোকলাই শেষাংশ ৪ পৃষ্ঠাত

## উৎকোচ লৈ জালত প্ৰতিৰক্ষা একাউণ্ট বিষয়া

ই-সংবাদ, ৬ এপ্ৰিলঃ আজি পুৱাৰ ভাগতে কেন্দ্ৰীয় অনুসন্ধান ৩ পৃষ্ঠাত চাওক



হোজাইত দিৱসত আঙুৰলতা

## প্ৰতিষ্ঠা দিৱস পালন বিজেপিৰ

ই-সংবাদ, ৬ এপ্ৰিলঃ কেন্দ্ৰৰ বৰ্তমানৰ শাসক দল ভাৰতীয় জনতা পাৰ্টিৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা ২ পৃষ্ঠাত চাওক

## বিহুৰ পিছতে টংকেশ্বৰে কৰিব শপত গ্ৰহণ

ই-সংবাদ, ৬ এপ্ৰিলঃ ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে বিহুৰ পূৰ্বেই পৰিষদখন গঠন কৰিব। শেষাংশ ৫ পৃষ্ঠাত




ট্ৰাম্প-মাস্কৰ বিৰুদ্ধে আমেৰিকাত উত্তাল প্ৰতিবাদ হাজাৰ হাজাৰ আমেৰিকানৰ

### প্ৰতিবাদৰ হুংকাৰ ট্ৰাইবেল সংঘৰ

## ট্ৰাইবেল বেল্ট-ব্লকক লৈ পত্ৰ, কোচ-ৰাজবংশী লোককো দিব সুবিধা!

ই-সংবাদ, ৬ এপ্ৰিলঃ এখন পত্ৰক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে ৰাজ্যখনৰ জনজাতীয় আৰেষ্টনী এলেকাত। জনজাতীয় ৩ পৃষ্ঠাত



### একাধিক চহৰত ৰাজপথলৈ ওলাই আহিল লাখ লাখ লোক

# ট্ৰাম্প-মাস্কৰ বিৰুদ্ধে আমেৰিকাত উত্তাল প্ৰতিবাদ


### নিত্য নতুন নীতিত অতিষ্ঠ মাৰ্কিন জনতা

● মেক আমেৰিকা গ্ৰেট এগেইন শ্ল'গানক লৈ সন্দেহ প্ৰকাশ, জনতাৰ পক্ষত কাম কৰিবলৈ সকীয়নি





অনলাইন ফিচাৰ্চ, ৬ এপ্ৰিলঃ ৰাষ্ট্ৰপতি নিৰ্বাচনত ডোনাল্ড ট্ৰাম্পৰ মূল শ্লোগান আছিল মেক আমেৰিকা গ্ৰেট এগেইন। নিৰ্বাচনী প্ৰচাৰত বাৰে বাৰে এই শ্লোগান আওৱাইছিল ডোনাল্ড ট্ৰাম্পে। আমেৰিকাৰ নিবাসীসকলৰ জীৱন উন্নত শেষাংশ ২ পৃষ্ঠাত

## শীৰ্ষ পদত 'দক্ষিণ'ৰ বেবী, মাদুৰাইত চিপিএমৰ পদ পৰিৱৰ্তন



মাদুৰাই, ৬ এপ্ৰিলঃ বাঁওদল চিপিএমৰ মজিয়াত দেওবাৰে এটা প্ৰজন্মৰ ৩ পৃষ্ঠাত চাওক

## অযোধ্যাত সূৰ্য তিলক, দলং মুকলি, ৰামসেতু দৰ্শন



নতুন দিল্লী, ৬ এপ্ৰিলঃ দেওবাৰে ৰামনৱমী উপলক্ষে অযোধ্যাৰ ৰাম মন্দিৰত আজি এক সূৰ্য তিলক অনুষ্ঠানেৰে ভগৱান ৰামৰ মূৰ্তিক প্ৰণাম জনোৱা হৈছে। শেষাংশ ৪ পৃষ্ঠাত

### বাথৌ থানচালিলৈ ১৫ কোটি ঘোষণা

## বিটিআৰত তৃতীয়টো ৰাজনৈতিক দল থকাতো নিবিচাৰে মুখ্যমন্ত্ৰীয়ে



ই-সংবাদ, তামুলপুৰ, ৬ এপ্ৰিলঃ বিটিআৰ অঞ্চলৰ ৰাজনীতিত তৃতীয়টো দল থকাটো নিবিচাৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব ২ পৃষ্ঠাত

### অপপ্ৰচাৰ নচলাবলৈ মিডিয়াক আহ্বান

## কংগ্ৰেছত বিসম্বাদ নাই বুলি দাবী দেৱব্ৰতৰ!

ই-সংবাদ, ৬ এপ্ৰিলঃ দিল্লীত ৰকিবুল হুছেইনৰ নেতৃত্বত ৯ কংগ্ৰেছৰ বিধায়ক বাহৰ পাতি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি সলনি ৪ পৃষ্ঠাত

'সভাপতি সলনি সম্পৰ্কীয় বিষয় লৈ দিল্লীলৈ যোৱা নাই বিধায়ক'






■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিটিআৰত তৃতীয়টো ৰাজনৈতিক দল

শৰ্মাই। এনডিএফবিৰ শীৰ্ষ নেতা ৰঞ্জন দৈমাৰীৰ ভগ্নী অঞ্জলি দৈমাৰীৰ নেতৃত্বত দল গঠন কৰা কাৰ্যক সমৰ্থন নকৰাৰ ইংগিত দিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। তামুলপুৰ জিলাৰ পথালিকুছিস্থিত মাইনাও পথাৰত অনুষ্ঠিত সদৌ বাথৌ মহাসভাৰ ৩২ সংখ্যক কেন্দ্ৰীয় অধিৱেশনত অংশ লোৱাৰ সময়ত সাংবাদিকৰ মুখামুখি হৈ মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰমোদ বড়োক কাষত লৈ বড়োভূমিত গঠিত অঞ্জলি দৈমাৰীৰ নতুন দলটোক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে আমাক বড়ো সমাজত ঐক্য, সম্প্ৰীতি আৰু একতা লাগে। বড়োৰ মাজত দুই-তিনিটা দল হোৱাটো বিজেপিয়ে নিবিচাৰে। বিজেপিয়ে বিচাৰে বড়োৰ মাজত এটাই ৰাজনৈতিক দল থাকক। যেতিয়া বিপিএফ আৰু ইউপিপিএলৰ মাজত যেতিয়া সমন্বয়ৰ কথা ওলাইছিল তাত বিজেপিয়ে সমৰ্থন কৰিছিল। বড়ো জাতি একত্ৰিত আৰু এক হৈ থাকক। একত্ৰিত হৈ থাকিলে আমাৰো কথা পাতিবলৈ ভাল। দুই-তিনিটা গ্ৰুপ হ'লে আমাৰো কথা পাতিব দিগদাৰ। ব্যক্তিগতভাৱে অঞ্জলি দৈমাৰীৰ সৈতে মোৰ ভাল। আমাৰ সমস্যা একো নাই। কিন্তু বড়ো জাতিৰ মাজত তিনি-চাৰিটা দল হ'লে জাতিটোৰ বাবে ভাল নহয়। বুধবাৰে শান্তিৰ স্বাৰ্থত জংঘল এৰি অহা প্ৰাক্তন বিদ্ৰোহীসকলক অসন্মান কৰাৰ অভিযোগত বড়োভূমিত তৃতীয়টো দলৰ জন্ম দিয়ে। প্ৰাক্তন বিদ্ৰোহী সমস্যাক আওকাণ কৰি কেৱল শাসনৰ গাদীত বহি থকা একাংশ ৰাজনীতিকৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি অহা নেতা-কেডাৰৰ লগতে বড়োভূমিৰ একাংশ সক্ৰিয় লোকে কেইবালানি আলোচনাৰ অন্তত নতুন দল ঘোষণা কৰে। ৰঞ্জন দৈমাৰীৰ ভগ্নী অঞ্জলি দৈমাৰী আৰু প্ৰাক্তন এনডিএফবি ফ'ৰামৰ নেতৃত্বত গঠন হয় অল্টাৰনেটিভ পাৰ্টি অৱ বড়োলেণ্ড। দলটো গঠনৰ পিছতে বড়োভূমিৰ ৰাজনীতিত ব্যাপক চৰ্চা হৈছে। কিয়নো যি এনডিএফবিৰ নাম লৈ প্ৰমোদ বড়োৱে নিৰ্বাচন খেলি ৰাজভোগ দখল কৰিছে সেই এনডিএফবিৰ দাবীসমূহক গুৰুত্ব নিদি প্ৰৱঞ্চনা কৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। বিটিআৰ শান্তি চুক্তিৰ পিছতো দীৰ্ঘদিন ধৰি প্ৰাক্তন এনডিএফবিসকলৰ সমস্যা সমাধান নকৰা, শান্তি চুক্তি কাৰ্যকৰী নকৰাৰ পৰিপ্ৰেক্ষিতত ক্ষোভিত হৈ ৰাজনৈতিকভাৱে নিজকে শক্তিশালী কৰি সমস্যা সমাধানৰ লক্ষ্যৰে দলটো গঠন কৰা বুলি জানিবলৈ দিয়ে দলৰ সভাপতি অঞ্জলি দৈমাৰীয়ে। শান্তি চুক্তি কৰিও একাংশ এনডিএফবি নেতা জে'লত থাকিবলগীয়া হৈছে। শান্তি চুক্তিক লৈ কোনো সন্তুষ্ট নহয় বাবেই নতুন ৰাজনৈতিক দলৰ জন্ম হ'ল। শান্তি চুক্তি হ'ল কিন্তু প্ৰকৃতাৰ্থত শান্তি নহ'ল বুলিও কৈছিল দৈমাৰীয়ে। তামুলপুৰৰ পথালিকুছিত ৪ এপ্ৰিলৰ পৰা হৈ থকা ৩২ সংখ্যক বাথৌ মহাসভা সন্মিলনত আজি হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে বাথৌ ধৰ্মৰ মহত্ব, সিজুগছৰ লগত আত্মাৰ সম্পৰ্ক, সিজুগছৰ পঞ্চ তত্ব আদি সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। বাথৌ ধৰ্ম পৃথিৱীৰ অতি প্ৰাচীন ধৰ্মবোৰৰ ভিতৰত অন্যতম বুলি উল্লেখ কৰি বড়োসকলৰ বাবে বাথৌ ধৰ্মতকৈ আন শ্ৰেষ্ঠ ধৰ্ম নাই বুলিও নিজৰ অভিমত ব্যক্ত কৰে। নতুন দিল্লীত অসম ভৱনৰ বাবে নতুনকৈ লোৱা ভূমিত নামঘৰ স্থাপনৰ সমান্তৰালভাৱে সিজু গছো স্থাপন কৰিব বুলি ঘোষণা কৰে। বাথৌ থানচালি আৰু হেৰিটেজ চেণ্টাৰ নামেৰে চিৰাং, গোৱেশ্বৰ আৰু তেজপুৰৰ ঘোঁৰামাৰীত ৩ টা বৃহৎ বাথৌ থানচালি নিৰ্মাণৰ বাবে ৫ কোটিকৈ মুঠ ১৫ কোটি টকা আগবঢ়াব বুলিও ঘোষণা কৰে। ১০০ খন বাথৌ থানচালিক ৫ লাখকৈ আগবঢ়াব বুলিও ভাষণত উল্লেখ কৰে। বিগত দুটা বছৰত চৰকাৰে ২০০ খন বাথৌ থানচালিক সহায় আগবঢ়াইছিল। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে বাথৌ ধৰ্মক অশেষ গুৰুত্ব দিয়াৰ বাবে ভাৰতৰ গৃহমন্ত্ৰীৰ লগতে অসমৰ মুখ্যমন্ত্ৰীৰো ভূয়সী প্ৰশংসা কৰে। প্ৰমোদ বড়োৱে বড়োসকলে বাথৌ ধৰ্মৰেই আধ্যাত্মিক সচেতনতাৰে উন্নতিৰ কাম কৰি আছে বুলি উল্লেখ কৰে। প্ৰায় ২৭ হাজাৰ ভক্তৰ সমাৱেশত অনুষ্ঠিত অধিৱেশনত বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো, ৰাজ্যসভাৰ সাংসদ ৰণগীৰা নাৰ্জাৰী, বিধায়ক জলেন দৈমাৰী, জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী, আৰক্ষী অধীক্ষক দিগন্ত কুমাৰ চৌধুৰী উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্প-মাস্কৰ বিৰুদ্ধে আমেৰিকাত উত্তাল

কৰাৰ সপোন দেখুৱাই ডোনাল্ড ট্ৰাম্প ৰাষ্ট্ৰপতি হ'ল। তেওঁ দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ মুখামুখি হৈ বিপুলসংখ্যক ভোটেৰে সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। কিন্তু বাস্তৱত আমেৰিকা গ্ৰেট হৈছেনে? কাৰ্যভাৰ গ্ৰহণ কৰাৰ চাৰি মাহৰ ভিতৰতে সমগ্ৰ আমেৰিকাত ট্ৰাম্পৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ আৰম্ভ হৈছে। তেওঁক পুনৰ ক্ষমতালৈ ভোট দি আগুৱাই নিয়া আমেৰিকানসকলেই এতিয়া ৰাজপথলৈ ওলাই আহি সাব্যস্ত কৰিছে প্ৰতিবাদ। আমেৰিকাৰ সময় অনুসৰি শনিবাৰে পুৱাৰে পৰা নিউয়ৰ্ক, ক'লৰাডো, হিউষ্টন, লছ এঞ্জেলছ, ৱাশ্বিংটনৰ ৰাজপথত ট্ৰাম্প বিৰোধী প্ৰতিবাদ দেখিবলৈ পোৱা গৈছে। এই ঘটনাই স্বাভাৱিকতে ট্ৰাম্প প্ৰশাসনক অস্বস্তিত পেলাইছে। প্ৰতিবাদকাৰী লাখ লাখ আমেৰিকানে কৈছে, 'আমেৰিকাৰ কোনো ৰজা নাই। আমেৰিকাত ফেচিবাদ নচলিব।' মন কৰিবলগীয়া যে দ্বিতীয়বাৰ শাসনলৈ অহাৰ পাছত ডোনাল্ড ট্ৰাম্প প্ৰশাসনে গ্ৰহণ কৰা কিছু সিদ্ধান্তই অশান্তিৰ পৰিৱেশ সৃষ্টি কৰিছে আমেৰিকাত। কেৱল আমেৰিকাই নহয়, বিশ্ব সমাজতো পৰিছে ট্ৰাম্পৰ সিদ্ধান্তৰ প্ৰভাৱ। শেহতীয়াকৈ ট্ৰাম্পে ঘোষণা কৰা পাৰস্পৰিক শুল্ক নীতিয়ে আমেৰিকাৰ শ্বেয়াৰ মাৰ্কেটতো ব্যাপক স্খলন আনি দিছে। ভাৰতকে ধৰি আন আন দেশৰ অৰ্থনীতিৰ ওপৰতো পৰিছে এই নীতিৰ ব্যাপক ঋণাত্মক প্ৰভাৱ। আনফালে শাসনলৈ প্ৰত্যাৱৰ্তন কৰিয়েই ট্ৰাম্পে লিংগ সন্দৰ্ভত কৈছিল যে আমেৰিকাত কেৱল পুলিংগ আৰু স্ত্ৰী লিংগৰ নাগৰিকহে থাকিব। অন্য লিংগক স্বীকৃতি দিয়াত অনিচ্ছা প্ৰকাশ কৰিছিল ট্ৰাম্পে। কেৱল এয়াই নহয়, ক্ষমতালৈ আহি ট্ৰাম্পে অনুপ্ৰৱেশকাৰীক হাতে-ভৰিয়ে শিকলি বান্ধি আমেৰিকাৰ পৰা বিতাড়ন কৰা ঘটনাই বিশ্বৰ সন্মুখত লজ্জানত কৰিছিল আমেৰিকাক। এনে ঘটনাসমূহৰ সমান্তৰালকৈ আমেৰিকাৰ প্ৰচলিত সংৰক্ষণ ব্যৱস্থাৰ সালসলনি কৰি বৃহৎসংখ্যক আমেৰিকান লোকক চাকৰিৰ পৰা বৰ্খাস্ত কৰা ঘটনাত উমি উমি জ্বলি আছিল বিদ্ৰোহৰ অগনি। এই সকলোবোৰৰ ভিতৰত বিশেষকৈ ট্ৰাম্পৰ নতুন শুল্ক নীতিক লৈ দেশৰ বাহিৰত ব্যাপক অসন্তুষ্টিৰ সৃষ্টি হৈছে। ইউৰোপৰ কেইবাখনো দেশ, ব্ৰিটেইন, এছিয়াৰ কিছুমান দেশ ট্ৰাম্পৰ এই সিদ্ধান্তত ক্ষুব্ধ হৈ পৰিছে। চীনে পোনপটীয়াকৈ শুল্ক যুদ্ধত প্ৰৱেশ কৰিছে। ফলত কেৱল সমগ্ৰ বিশ্বতে নহয়, আমেৰিকাতো মন্দাৱস্থাৰ ভাবুকি আহি পৰিছে। সেইবাবেই ঘৰতে অৰ্থাৎ আমেৰিকাত ট্ৰাম্পৰ বিৰুদ্ধে সাধাৰণ মানুহ ৰাজপথলৈ ওলাই আহিছে। কেৱল ডোনাল্ড ট্ৰাম্পেই নহয়, ট্ৰাম্পৰ ক্ষমতাত বলীয়ান হৈ ওভতগোৱে নাচিবলৈ আৰম্ভ কৰা এলন মাস্কৰ বিৰুদ্ধেও সাব্যস্ত হৈছে প্ৰতিবাদ। বিভিন্ন সংবাদ প্ৰতিষ্ঠানৰ প্ৰতিবেদন অনুসৰি কেৱল ৱাশ্বিংটনতে প্ৰায় ২০ হাজাৰ আমেৰিকান লোকে ৰাজপথলৈ ওলাই আহি ট্ৰাম্পৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছে। ট্ৰাম্পৰ বিৰুদ্ধে সৃষ্টি হোৱা এনে জাগৰণে আগন্তুক সময়ত কি ৰূপ লয়, তাৰ প্ৰতি দৃষ্টি ৰাখিছে বিশ্ব নাগৰিকে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# শীৰ্ষ পদত 'দক্ষিণ'ৰ বেবী, মাদুৰাইত

পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা গ'ল। মাদুৰাইত অনুষ্ঠিত পাৰ্টী কংগ্ৰেছত দেওবাৰে সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হ'ল মৰিয়াম আলেকজেণ্ডাৰ বেবী। কেৰালাৰ নেতা এম এ বেবী হৈছে চিপিএমৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱা দ্বিতীয়গৰাকী মালায়ালম। শনিবাৰে '৭০ৰ ডেওনা গৰকা নেতাগৰাকী পৰৱৰ্তী দুটাকৈ কাৰ্যকালৰ বাবে দলৰ শীৰ্ষ পদত থাকিব পৰাকৈ এই সিদ্ধান্ত লোৱা হৈছে বুলি জানিব পৰা গৈছে। এম এ বেবী আছিল চিপিএমৰ ছাত্ৰ সংগঠন এছএফআইৰ নেতা। পিছলৈ তেওঁ যুৱ সংগঠন DYFI ৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। বেবী আছিল কেৰালাৰ প্ৰাক্তন শিক্ষামন্ত্ৰী। ১৯৮৬-১৯৯৮ চনলৈ ১২ বছৰ ধৰি কেৰালাৰ পৰা ৰাজ্যসভাৰ সদস্য আছিল এম এ বেবী। এইবাৰ তেওঁ দলৰ সাধাৰণ সম্পাদক পদত নিযুক্ত হয়। মাদুৰাই পাৰ্টী কংগ্ৰেছৰ লক্ষণীয় দিশটো হৈছে বয়সৰ বাবে পলিটব্যুৰোৰ সাতজন সদস্যক বাদ দিয়া হৈছে। এই তালিকাত আছে প্ৰকাশ, বৃন্দা কাৰাট, সুভাষিনী আলী, কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায়ী বিজয়ন, ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক সৰকাৰ, বংগৰ সূৰ্যকান্ত মিশ্ৰ আৰু তামিলনাডুৰ জি ৰামকৃষ্ণন আদিৰ নাম আছিল। কিন্তু 'ব্যতিক্ৰম' হিচাপে কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰায় বিজয়নক কেন্দ্ৰীয় সমিতি আৰু পলিটব্যুৰোত ৰখা হৈছে আৰু বাকী ছজন সদস্যই পলিটব্যুৰো ত্যাগ কৰিছে। সেয়ে চৰ্চা চলিছে যে মাদুৰাই পাৰ্টি কংগ্ৰেছত চিপিএমত এটা প্ৰজন্মৰ পৰিৱৰ্তন ঘটিল। সূৰ্যকান্তৰ ঠাইত বংগৰ পৰা পলিটব্যুৰোৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে শ্ৰীদীপ ভট্টাচাৰ্যক। ৰাজ্যিক সম্পাদক জিতেন্দ্ৰ চৌধুৰী ত্ৰিপুৰাৰ মাণিক সৰকাৰৰ ঠাইত পলিটব্যুৰোৰ সদস্যভুক্ত হৈছে। এই তালিকাৰ উল্লেখযোগ্য অন্তৰ্ভুক্তি হৈছে ৰাজস্থানৰ ছিকাৰৰ সাংসদ অমৰা ৰাম। পলিটব্যুৰ'ত অন্তৰ্ভুক্ত হোৱা আন সদস্যসকল হৈছে ক্ৰমে উ ভাছুকী, বিজু কৃষ্ণন, মৰিয়াম ধাৱালে আৰু কে বালকৃষ্ণন। বাঁওদলটোৰ শীৰ্ষ স্থানত এম এ বেবী অধিষ্ঠিত হোৱাৰ পাছত চৰ্চা চলিছে যে চিপিএমৰ দলীয় ৰাজনীতি দাক্ষিণাত্যত কেন্দ্ৰীভূত হৈ ৰৈছে। কেৰালাৰ ই এম এছ নাম্বুদিৰিপদ আৰু অন্ধ্ৰ প্ৰদেশৰ পি সুন্দৰৰাইয়াৰ পিছত পঞ্জাৱৰ হৰকিষেন সিং সুৰজিত দীৰ্ঘদিন ধৰি চি পি এমৰ শীৰ্ষ পদত আছিল। তেওঁৰ মৃত্যুৰ পিছত কাৰাটে দলটোৰ দায়িত্ব লয়। তেওঁৰ পিছত দলৰ দায়িত্বত আছিল সীতাৰাম য়েছুৰী। এই দুয়োজন নেতাও ক্ৰমে কেৰালা আৰু অন্ধ্ৰ প্ৰদেশৰ। আৰু তেওঁলোকৰ পাছত এইবাৰ এম এ বেবী দলৰ শীৰ্ষ পদত অধিষ্ঠিত হোৱাত স্বাভাৱিকতে গাঢ় হৈ পৰিছে এই চৰ্চা। এতিয়া নতুন দায়িত্ব লৈ বেবীয়ে দলটোক কিদৰে আগুৱাই লৈ যায় সেয়া হ'ব লক্ষণীয়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাইবেল বেল্ট-ব্লকক লৈ পত্ৰ, কোচ

এলেকাত সংৰক্ষিত ট্ৰাইবেল বেল্ট এণ্ড ব্লক আৰেষ্টনীত এতিয়া অনুসূচিত জনজাতি নোহোৱাৰ পিছতো এটা জনগোষ্ঠীৰ লোকক অধিকাৰ দিব খোজা অসম চৰকাৰৰ ৰাজহ বিভাগৰ এখন পত্ৰ ৰাজহুৱা হোৱাৰ পিছতে অসমৰ জনজাতীয় সমাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ৰাজ্যৰ একাংশ সমজিলাক আৰু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় বিশেষকৈ গুৱাহাটী, দিশপুৰ, চন্দ্ৰপুৰ, আজাৰা, সোণাপুৰ ৰাজহ চক্ৰ কাৰ্যালয়লৈ ৭ জানুৱাৰীত পত্ৰখন প্ৰেৰণ কৰা হৈছে। পত্ৰযোগে ট্ৰাইবেল বেল্ট এণ্ড ব্লক এলেকাত থকা কোঁচ-ৰাজবংশীসকলৰ তথ্য বিচাৰিছে ৰাজহ বিভাগে। জিলা আয়ুক্তসকলে বেল্ট এণ্ড ব্লক আৰেষ্টনীত থকা কোঁচ-ৰাজবংশীসকলৰ তথ্যসহ এক প্ৰতিবেদন সাজু কৰি অসম চৰকাৰৰ ৰাজহ বিভাগলৈ প্ৰেৰণ কৰিব লাগিব। পত্ৰত উল্লেখ কৰা বিষয়টো হৈছে ট্ৰাইবেল বেল্ট এণ্ড ব্লকত কোঁচ-ৰাজবংশীক সংৰক্ষিত শ্ৰেণীৰ মৰ্যাদা দিয়া। এই পত্ৰ ৰাজহুৱা হোৱাৰ পিছতো ট্ৰাইবেল সংঘৰ ভিতৰচ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ৰাজহ বিভাগৰ যুটীয়া সচিবৰ এখন পত্ৰ ৰাজহুৱা হৈছে। যিখন পত্ৰত ট্ৰাইবেল বেল্ট এণ্ড ব্লক আৰেষ্টনীত কোঁচ-ৰাজবংশীসকলক একপ্ৰকাৰ সুবিধা দিয়া তথা উপভোগ কৰিব পৰাৰ সুযোগ দিব। ট্ৰাইবেল বেল্ট এণ্ড ব্লক জনজাতীয় লোকৰ দৰেই কোঁচ-ৰাজবংশীসকলে সুবিধা উপভোগ কৰিব পাৰিব। মাটি বেচা-কিনাৰ সুবিধা পাব। বিটিআৰ এলেকা, কাৰ্বি আংলং এলেকা, ডিমা হাচাওক এই পত্ৰ প্ৰদান কৰা হৈছে নে নাই জানিব পৰা হোৱা নাই যদিও এই পত্ৰ ৰাজহুৱা হোৱাৰ পিছতে হাহাকাৰ লাগিছে বিটিআৰ এলেকা, কাৰ্বি আংলং এলেকা, ডিমা হাচাও এলেকাৰ লগতে ৰাজ্যৰ জনজাতীয় আৰেষ্টনী তথা সংৰক্ষিত এলেকাত। এই পত্ৰৰ কথা অৱগত হোৱাৰ পিছতে ট্ৰাইবেল সংঘই তীব্ৰ ক্ষোভ ব্যক্ত কৰি প্ৰতিখন জিলাত প্ৰতিবাদী কাৰ্যসূচী হাতত ল'ব বুলি এটা সূত্ৰই উল্লেখ কৰিছে। ইপিনে ঠাইবিশেষে কোঁচ-ৰাজবংশী জনগোষ্ঠী আগৰ পৰাই সংৰক্ষিত জনগোষ্ঠী আছিল বুলিও জানিব পৰা গৈছে। কিছু বেল্ট আৰু ব্লকতহে নাছিল বুলি জানিব পৰা গৈছে। কিন্তু অনাগত দিনত এই বিষয়টোৱে ৰাজনীতিত চৰ্চাৰ কেন্দ্ৰবিন্দু হ'ব পাৰে। যদি জনজাতীয় সমাজে বিষয়টোৰ কৰযোৰে বিৰোধ কৰে তেন্তে কোঁচ-ৰাজবংশী সমাজৰ সৈতে বিষয়টোক লৈ ৰাজনৈতিক সংঘাত হোৱাৰ আশংকা নথকা নহয়। এনে খবৰে যাতে জনজাতি-অজনজাতিৰ মাজত সংঘাত নহয় সেই বিষয়টোক ৰাজ্য চৰকাৰে গুৰুত্বসহকাৰে লোৱা উচিত। ইপিনে ২০২৬ চনৰ নিৰ্বাচনৰ পূৰ্বে কোঁচ-ৰাজবংশীসকলক জনজাতিকৰণ কৰিব নোৱাৰি বিজেপিয়ে এতিয়া এনেদৰেই প্ৰলোভনৰ ৰাজনীতি কৰিব খুজিছে নেকি বুলিও প্ৰশ্ন উত্থাপন হৈছে। যদি কোঁচ-ৰাজবংশীসকলক এনে সুবিধা দিয়াৰ কথা অৱগত হয় জনজাতিকৰণ বিচাৰি থকা টাই-আহোম, মৰাণ-মটক, চুতীয়া আৰু চাহ জনগোষ্ঠী নাৰাজ হৈ ৰাজপথত নামে তেন্তে বিজেপি বিপদত পৰাৰ সম্ভাৱনাই অধিক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উৎকোচ লৈ জালত প্ৰতিৰক্ষা একাউণ্ট

ব্যুৰো চমুকৈ চিবিআয়ে গুৱাহাটীৰ এটা কেন্দ্ৰীয় কাৰ্যালয়ত অভিযান চলাই এজন বিষয়াক গ্ৰেপ্তাৰ কৰিছে। কাম কৰি দিয়াৰ বিনিময়ত ধন লোৱাৰ অভিযোগত বিষয়াজনক গ্ৰেপ্তাৰ কৰিছে চিবিআয়ে। গুৱাহাটীৰ সাতগাঁওস্থিত প্ৰতিৰক্ষা একাউণ্ট নিয়ন্ত্ৰক কাৰ্যালয়ৰ এজন বিষয়াক উৎকোচ গ্ৰহণৰ সময়তে গ্ৰেপ্তাৰ কৰা বুলি এটা বিশ্বস্ত সূত্ৰই প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ কৰি তদন্তৰ বাবে চিবিআয়ে জিম্মাত লোৱা বিষয়াজন মৃন্ময় ঘোষ বুলি জানিব পৰা গৈছে। মৃন্ময় ঘোষ প্ৰতিৰক্ষা একাউণ্ট বিভাগৰ একাউণ্টছ বিষয়াৰ পদত অধিষ্ঠিত। জানিব পৰা মতে, বিষয়া ঘোষে অমীমাংসিত বিল এখনৰ বিনিময়ত বিকাশ সৰকাৰ নামৰ লোকজনৰ পৰা ২.৭২ হাজাৰ টকা দাবী কৰিছিল। আজি বিষয়াজনে ৪৩ হাজাৰ টকা লোৱাৰ সময়তে জালত পৰে। চিবিআয়ে বিষয়টোক লৈ তদন্ত কৰি আছে বুলি জানিব পৰা গৈছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •

• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •

• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •

• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

UniqueBorah.Com

88764 90887

নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছত বিসম্বাদ নাই বুলি দাবী

কৰিবলৈ অভিযান চলোৱা বুলি প্ৰচাৰ চলাত কংগ্ৰেছৰ ভিতৰচ'ৰাত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক সভাপতি পদৰ পৰা আঁতৰোৱাৰ দাবী লৈ অসমৰ ৯ বিধায়কে দিল্লীলৈ যোৱাত অসম কংগ্ৰেছ গৃহ কন্দলত জৰ্জৰিত বুলি অভিযোগৰ মাজতে বিষয়টোক লৈ আজি মুখ খুলিছে কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। কংগ্ৰেছত বিসম্বাদ আৰম্ভ হোৱা বুলি চলা প্ৰচাৰক লৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই বিসম্বাদৰ কথা অস্বীকাৰ কৰিছে। শইকীয়াই কয় যে ৯ বিধায়ক দিল্লীলৈ যোৱা নাই। প্ৰদীপ সৰকাৰে দিল্লীলৈ যোৱা বুলি উল্লেখ কৰা হৈছে যদিও সৰকাৰ বঙাইগাঁৱতে আছে। যি কেইজনে গৈছে তেওঁলোকে সভাপতি সলনি কৰাৰ বিষয়ত যোৱা নাই বুলি স্পষ্ট কৰি কয় যে বিধানসভাত কেইবাটাও পদ খালী হৈ আছে। সেই পদসমূহক লৈ গৈছে। সকলোৰে ওপৰলৈ যোৱাৰ ইচ্ছা থাকে বুলি উল্লেখ কৰি শইকীয়াই কয় যে কেইটামান পদবী খালী আছে। ৰাজনীতি কৰিলে যিহেতু ওপৰলৈ যোৱাৰ ইচ্ছা থাকে সেয়েহে বিধায়িনী দলৰ বিষয়ববীয়া হ'ব পাৰে নেকি সেই কথাটোক লৈ চেষ্টা কৰিবলৈ গৈছে। বিধায়কসকলে নিজৰ মাজত আলোচনা কৰি পদসমূহ ভগাই ল'ব পাৰে বুলি কোৱা বক্তব্য সন্দৰ্ভত তেওঁ কয় যে সকলোৱে জানে হাইকমাণ্ড অবিহনে সিদ্ধান্ত ল'ব নোৱাৰে। আমাৰ দলৰ হাইকমাণ্ডে যাকে দিব সিয়ে হ'ব পাৰিব। দেৱব্ৰত শইকীয়াই বিৰোধী দলপতি হৈ থকাৰ সময়তে বিৰোধী দলপতিক অমান্য কৰি বিধায়ক কেইজনে দিল্লীলৈ গৈছে নেকি বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ শইকীয়াই সাংবাদিকক উদ্দেশ্যি কয় যে আপোনালোকে অপপ্ৰচাৰ নচলাব। বিধানসভাৰ ভিতৰতে মই চলাব লাগে। বিধানসভাৰ ভিতৰত মোৰ যদি হুইপ মনা নাই, আন কিবা কথা যদি মনা নাই সেই কথা মোক ক'ব পাৰে। বিধানসভাৰ ভিতৰৰ আৰু বাহিৰৰ বিষয়টোক সাংবাদিকক অধ্যয়ন কৰি ল'বলৈ আহ্বান জনাই বিৰোধী দলপতিয়ে কয় যে মোৰ কাম বিধানসভাৰ ভিতৰত। বাহিৰত মোৰ কাম নহয়। আপোনালোকে এনেকুৱা কথাবোৰ আনি কংগ্ৰেছ দলটোত বিভ্ৰান্তি আনিবলৈ চেষ্টা কৰিছে। সেয়া উচিত নহয়। তেওঁ কয় যে ৰাভা হাছঙৰ নিৰ্বাচনৰ ফলাফলক লৈ আত্মমন্থন হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অযোধ্যাত সূৰ্য তিলক, দলং মুকলি

ভাৰতীয় জ্যোতিৰ্বিজ্ঞান আৰু প্ৰযুক্তিৰ সৈতে সংযুক্ত কৰি নিৰ্দিষ্ট সময়ত সূৰ্যৰ ৰশ্মিৰে ৰামলালাৰ কপালত স্বয়ংক্ৰিয়ভাৱে তিলক অংকন কৰা হয়। মন্দিৰ চৌহদত হাজাৰ হাজাৰ ভক্তই এই দৃশ্য উপভোগ কৰে। ইয়াৰ উপৰি এই অনুষ্ঠানৰ দৃশ্য প্ৰচাৰ মাধ্যমযোগে সম্প্ৰচাৰ কৰি দেশ-বিদেশৰ ভক্তক এই বিশেষ দৃশ্য দৰ্শন কৰাৰ সুবিধা প্ৰদান কৰা হয়। ইয়াৰ সমান্তৰালকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক বিশেষ বিমানযোগে ৰামায়ণৰ প্ৰতীক ৰামসেতুৰ ঐতিহাসিক স্থানসমূহ আকাশ মাৰ্গৰ পৰা দৰ্শন কৰে। শ্ৰীলংকাৰ পৰা উভতি অহাৰ পথত তেওঁ এই ক্ষণৰ সাক্ষী হোৱা বুলি নিজেই সামাজিক মাধ্যমত উল্লেখ কৰে। তেওঁ নিজৰ টুইটাৰত লিখিছে, “শ্ৰীলংকাৰ পৰা উভতি অহাৰ পথত ৰামসেতু দৰ্শনৰ সৌভাগ্য হ'ল। আৰু এই একেটা সময়তে অযোধ্যাত সূৰ্য তিলক অনুষ্ঠিত হোৱাটো এক ঐশ্বৰিক কাকতালীয় সংযোগ। দুয়োটা দৰ্শনতেই আশীৰ্বাদপ্ৰাপ্ত হ'লো।” প্ৰধানমন্ত্ৰীয়ে লগতে লিখিছে, “প্ৰভু শ্ৰীৰাম আমাৰ সকলোৰে বাবে এক ঐক্যবদ্ধ শক্তি। তেখেতৰ আশীৰ্বাদ সদায় আমাৰ ওপৰত বৰষি থাকক।” উল্লেখযোগ্য যে এই দিনটোতে প্ৰধানমন্ত্ৰীয়ে অযোধ্যাৰ ওচৰৰ ৰামেশ্বৰমত নিউ পামবান দলঙৰ উদ্বোধন কৰে। ২.০৭ কিঃমিঃ দীঘল এই দলংখনে স্থানীয় যাতায়াতৰ গতি সুষম কৰি অৰ্থনৈতিক বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। দলংখনৰ নাম ‘ৰাম জনমভূমি সংযোগী পথ’ ৰখা হৈছে, যিয়ে ৰাম মন্দিৰৰ সৈতে অঞ্চলটোৰ সংযোগ সুদৃঢ় কৰিব। ৰামেশ্বৰমত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰা এই দলংখন ভাৰতৰ প্ৰথম উলম্ব লিফটৰ সাগৰীয় দলং বুলি জানিব পৰা গৈছে। আজিৰ দলং উদ্বোধনী অনুষ্ঠানত মোদীয়ে তামিলনাডুৰ মুখ্যমন্ত্ৰীকো আক্ৰমণৰ লক্ষ্য কৰি লোৱা পৰিলক্ষিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশীৰ সমৰ্থকে পালে বিহুৰ

দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰা মৰিগাঁও জিলাৰ মিলনপুৰত আৰক্ষীক আক্ৰমণ কৰি বিদেশী ন্যায়াধিকৰণে চিনাক্ত কৰা বাংলাদেশীক আৰক্ষীৰ জিম্মাৰ পৰা মোকলাই নিয়া ঘটনাৰ অন্যতম অভিযুক্ত হবিবুৰ ৰহমান চিদ্দিকীয়ে শেহতীয়াকৈ লাভ কৰিছে বিহু উপলক্ষে মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা গামোচা। ইয়াকে কেন্দ্ৰ কৰি বৰ্তমান সমগ্ৰ জিলাতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। উল্লেখ্য যে জিলাখনৰ মিলনপুৰ গাঁৱত বিগত ২০১৫ চনত মৰিগাঁও আৰক্ষীৰ সীমান্ত শাখাৰ আৰক্ষীয়ে বিদেশী ন্যায়াধিকৰণে চিনাক্ত কৰা এটা অবৈধ বাংলাদেশী পৰিয়ালক আটক কৰিবলৈ গৈছিল। পৰিয়ালটোক আটক কৰি উভতিবলৈ লওঁতে এটা দুৰ্বৃত্তৰ দলে আৰক্ষীৰ গাড়ী আগচি ধৰি আক্ৰমণ কৰি উক্ত পৰিয়ালটোক মোকলাই লৈ গৈছিল। এই ঘটনাত নাম সাঙোৰ খাইছিল জিলা কংগ্ৰেছৰ তদানীন্তন শীৰ্ষ নেতা হবিবুৰ ৰহমান চিদ্দিকীৰ। ঘটনা সন্দৰ্ভত মৰিগাঁও সদৰ থানাত ২২৮/১৫ নম্বৰত গোচৰ ৰুজু কৰি পলাতক আচামী ঘোষণা কৰি চিদ্দিকীৰ সন্ধান দিওঁতাক নগদ ৫০,০০০ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি আৰক্ষী বিভাগে বাতৰি কাকতত বিজ্ঞাপনো প্ৰকাশ কৰিছিল। কিন্তু শেহতীয়াকৈ এইজন চিদ্দিকীয়ে লাভ কৰিছে বিহু উপলক্ষে মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা গামোচা। এই সন্দৰ্ভত সামাজিক মাধ্যমত চিদ্দিকীৰ নামৰ একাউন্টত প্ৰকাশ কৰিছে যে "অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ পৰা অসমীয়া জাতিৰ অসমীয়া নৱবৰ্ষ- ১৪৩২ ভাস্কৰাব্দৰ আন্তৰিক শুভেচ্ছাৰে এখনি ফুলাম গামোচা আৰু শুভেচ্ছা-পত্ৰ প্ৰেৰণ কৰি মোক কৃতাৰ্থ কৰিছে। সমাজৰ হকে নৱ নৱ চিন্তাৰে অধিক সক্ৰিয়তাৰে কাম কৰিবলৈ এই ব'হাগেই শক্তি দিয়ক তাৰ কামনা কৰিলো আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আন্তৰিক অভিনন্দন, শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।" ইয়াৰ লগতে উক্ত প'ষ্টটোত চিদ্দিকীৰ ঠিকনা লিখা গামোচা প্ৰেৰণৰ খামটোৱো আপলোড কৰা হৈছে। কথাই কথাই জাতি-মাটি-ভেটি ৰক্ষাৰ বচন আওৱোৱা চৰকাৰখনৰ এনে কাৰ্যকালাপত স্বাভাৱিকতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা দেখা গৈছে। ইফালে, লখিমপুৰত মুখ্যমন্ত্ৰীৰ বিহুৰ উপহাৰ লাভ কৰা গভাইত চোৰ চিদাক আজি জেললৈ প্ৰেৰণ কৰা হয়।

# বৰছলাৰ নিজ গৰুবন্ধা গাঁৱত ৰাম নৱমী মেলা

**ই-সংবাদ, ঢেকীয়াজুলি, ৬ এপ্ৰিলঃ** শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ মিছামাৰিৰ অন্তৰ্গত নিজ গৰুবন্ধা গাঁৱত ৰাম নৱমী উপলক্ষে আয়োজিত এক জাকজমকতাপূৰ্ণ মেলাত বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত হৈ শ্ৰীৰামৰ চৰণত সমষ্টিবাসীৰ কল্যাণৰ নিমিত্তে সেৱা আগবঢ়ায়। চ'ত মাহৰ শুক্লপক্ষৰ নৱমী তিথিত পালিত এই পবিত্ৰ উৎসৱত হাজাৰ হাজাৰ ভক্তৰ সমাগমে গাঁওখনৰ পৰিৱেশক এক আধ্যাত্মিক মনোভাৱে পৰিপূৰ্ণ কৰি তুলিছে। নিজ গৰুবন্ধা গাঁৱৰ এই ৰাম নৱমীৰ মেলাই কেৱল ধৰ্মীয় গুৰুত্বই নহয়, সামাজিক সম্প্ৰীতি আৰু একতাৰো এক জ্বলন্ত উদাহৰণ স্থাপন কৰিছে। বিধায়ক গণেশ কুমাৰ লিম্বুৰ এই উদ্যোগক স্থানীয় লোকে প্ৰশংসা কৰি কয় যে তেওঁৰ উপস্থিতিয়ে গাঁওবাসীৰ মনত আস্থা আৰু ভক্তিৰ এক নতুন সঞ্চাৰ কৰিছে। এই মেলাৰ জৰিয়তে নিজ গৰুবন্ধা গাঁৱে প্ৰমাণ কৰিলে যে পৰম্পৰা আৰু আধুনিকতাৰ সংমিশ্ৰণে এক সমাজক কেনেকৈ সমৃদ্ধ কৰিব পাৰে। ৰাম নৱমীৰ এই উদযাপনে গাঁওবাসীৰ মাজত একতা, শান্তি আৰু প্ৰেমৰ বাৰ্তা প্ৰচাৰ কৰিলে, যিটো আগন্তুক দিনতো স্মৰণীয় হৈ থাকিব বুলি বিধায়কগৰাকীয়ে মন্তব্য প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বশিষ্ঠৰ কাৰ্যালয়ত বিজেপিৰ প্ৰতিষ্ঠা

দিৱস দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিজেপিৰ নেতা-কৰ্মীয়ে পালন কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ জিলা, ব্লক, মণ্ডল কাৰ্যালয়ৰ লগতে গুৱাহাটীৰ ৰাজ্যিক কাৰ্যালয়ত বিজেপিৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। ৰাজ্যিক কাৰ্যালয়ত উৎসৱমুখৰ পৰিৱেশত আড়ম্বৰপূৰ্ণভাৱে উদযাপন কৰা হয় প্ৰতিষ্ঠা দিৱস। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে কেইবাগৰাকী ৰাজ্যিক নেতা-মন্ত্ৰী-বিধায়কৰ উপস্থিতিত প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। গুৱাহাটীৰ বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত বিজেপিৰ পতাকা উত্তোলন কৰি প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। পুৱাই ৰাজ্যিক কাৰ্যালয়ত পতাকা উত্তোলন কৰাৰ লগতে বিজেপিৰ প্ৰতিষ্ঠাকালৰ প্ৰয়াত নেতাসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লগতে জীৱিতসকলৰ দীৰ্ঘায়ু কামনা কৰি বন্তি প্ৰজ্বলন কৰা হয়। মুখ্য কাৰ্যালয়ৰ সন্মুখভাগত অনুষ্ঠিত সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দলৰ বৰ্ণিল যাত্ৰাত অসম আৰু দেশত যি বিস্তাৰ হৈছে তাক প্ৰশংসা কৰে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু দলৰ সফলতাৰ বাবে কাম কৰা সকলো কৰ্মীক অভিনন্দন জনায়। অসমত দলটোৰ জনপ্ৰিয়তাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজেপিয়ে জনসাধাৰণৰ বিশ্বাস অৰ্জন কৰিছে। ৰাজ্যখনৰ প্ৰতিটো কোণত উপস্থিতি শক্তিশালী হৈছে। বিজেপি আৰু এনডিএয়ে দেশত সুশাসনৰ এক নতুন যুগৰ সূচনা কৰিছে। বিজেপিয়ে দেশক দুজন প্ৰধানমন্ত্ৰী দিছে। প্ৰধানমন্ত্ৰী মোদীৰ তৃতীয় কাৰ্যকাল আমাৰ বাবে এক অভূতপূৰ্ব সফলতা। দেশৰ ২১ খন ৰাজ্যত বিজেপি-এনডিএ চৰকাৰ শাসনত আছে। আজিৰ প্ৰতিষ্ঠা দিৱসত দলৰ প্ৰাক্তন ৰাজ্যিক সভাপতি নাৰায়ণ বৰকটকী, ৰাজেন গোহাঁই, সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰণজিৎ কুমাৰ দাস, ভবেশ কলিতা উপস্থিতি থাকে। আজি দিলীপ শইকীয়া সভাপতি হোৱাৰ পিছত প্ৰথমটো ডাঙৰ দলীয় কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰায়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা তথা দাদা বিগ্ৰেডক নাম নোলোৱাকৈ সমালোচনা কৰা ৰাজেন গোহাঁইক আজি মুখ্যমন্ত্ৰীয়ে গামোচা পিন্ধায়। লক্ষণীয় যে আজিৰ কাৰ্যসূচীত বহু পুৰণি নেতা উপস্থিত থকা দেখা যায়। উজনি-নামনিৰ বহু পুৰণি নেতাক বহিবলৈ আসন দিয়া হয়। বিশেষকৈ বশিষ্ঠস্থিত বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ৰ কাৰ্যসূচীত প্ৰথমবাৰ অংশ লয় প্ৰাক্তন মন্ত্ৰী, বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰাজেন গোহাঁয়ে। ৰাজেন গোহাঁয়ে আজি দিলীপ শইকীয়া সভাপতি হোৱাৰ পিছত তেওঁৰ ক্ষোভ, খং কমি আহিছে বুলি কয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহুৰ পিছতে টংকেশ্বৰে কৰিব শপত

নতুনকৈ গঠন হ'বলগীয়া ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী আৰু কাৰ্যবাহীসকলৰ লগতে সকলো নৱনিৰ্বাচিত সদস্যই ১১ ৰ পৰা ১৩ এপ্ৰিলৰ ভিতৰত শপতগ্ৰহণ কৰিব। বিহুৰ পূৰ্বেই পৰিষদ গঠনৰ প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। শপতগ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া উপস্থিত থাকিব। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে টংকেশ্বৰ ৰাভাৰ নেতৃত্বত পুনৰ পৰিষদখন গঠন কৰিব। পুনৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে শপত ল'ব টংকেশ্বৰ ৰাভাই। ৪ এপ্ৰিলত সম্পন্ন হোৱা ভোটগণনাৰ পৰৱৰ্তী ফলাফল অনুসৰি ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু বিজেপিৰ মিত্ৰজোঁটে ৩৬ খন আসনৰ ভিতৰত ৩৩ খন আসন দখল কৰে। ২৭ খন আসন যৌথ সংগ্ৰামী মঞ্চৰ দখলত থাকিলেও বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰা ৬ খন আসন লাভ কৰে। বিগত বৰ্ষৰ তুলনাত বিজেপিৰ আসনৰ সংখ্যা ১ ৰ পৰা ৬ লৈ বৃদ্ধি পায়। ২০১৯ চনৰ নিৰ্বাচনত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে ৩৩ খন আসনত জয়ী হৈ পৰিষদত একচেতিয়া আধিপত্য স্থাপন কৰিছিল। এইবাৰ যৌথ মঞ্চৰ আসন ২৭ লৈ হ্ৰাস পোৱাৰ বিপৰীতে বিজেপিয়ে ৬ খন আসন লাভেৰে পৰিষদত নিজৰ স্থিতি শক্তিশালী কৰিছে। বিপৰীতে একেবাৰে দুৰ্বল প্ৰদৰ্শন কৰিছে বিৰোধীয়ে। কংগ্ৰেছে মাত্ৰ এখন আসনত জয়ী হৈছে। অসম গণ পৰিষদে পৰিষদীয় নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ নেতা টংকেশ্বৰ ৰাভাই পুনৰ মুখ্য কাৰ্যবাহী সদস্য হোৱাৰ লগতে তেওঁৰ দলৰ প্ৰায় তিনিজন কাৰ্যবাহী থকাৰ সম্ভাৱনা আছে। বিজেপিৰ নিৰ্বাচিত ৬ সদস্যৰ ভিতৰত কমেও ৩ জনক কাৰ্যবাহী সদস্য দিয়া হ'ব বুলি অনুমান কৰা হৈছে। আগিয়া সমষ্টিৰ পৰা বিজয়ী হোৱা সুচিত্ৰা নাথৰ নাম কাৰ্যবাহী পদৰ বাবে চৰ্চা হৈছে। এনেদৰে ৰাভা হাছঙত পুনৰ দেখা গৈছে টংকেশ্বৰ ৰাভাৰ জয়-জয়কাৰ।

## দুটাকৈ বঁটা প্ৰদানৰ সিদ্ধান্ত, দুলাল ৰয়-প্ৰাঞ্জল শইকীয়াসহ উপস্থিত থাকিব বহুজন

# হোজাইত দ্বি-ভাষিক নাট সমাৰোহৰ আয়োজন

**ই-সংবাদ, মোৰাঝাৰ, ৬ এপ্ৰিলঃ** অসম নাট্য সন্মিলনৰ হোজাই সদৰ শাখাৰ সৌজন্যত হোজাই চহৰত পোনপ্ৰথমবাৰৰ বাবে অহা ১৮ এপ্ৰিলৰপৰা তিনিদিনীয়াকৈ দ্বি-ভাষিক নাট সমাৰোহৰ আয়োজন কৰিছে। হোজাই দ্বি-ভাষিক নাট সমাৰোহ-২৫ শীৰ্ষক এই নাট সমাৰোহখনত প্ৰথমবাৰৰ বাবে অসমীয়া আৰু বাংলা দুটা ভাষাৰ চাৰিখন নাটক মঞ্চস্থ হ'ব। ইতিমধ্যে গুৱাহাটীৰ ড্ৰেমেটিক ছ'চাইটী, তেজপুৰৰ ঐতিহাসিক বাণ মঞ্চ আৰু লামডিঙৰ আনন্দম ড্ৰামা গোষ্ঠীক আমন্ত্ৰণ জনোৱা হৈছে। তদুপৰি হোজাইৰপৰাও এখন নাটক মঞ্চস্থ কৰা হ'ব। সমাৰোহখনলৈ প্ৰথিতযশা নাট্যকাৰ, পৰিচালক দুলাল ৰয়, প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠকে প্ৰমুখ্য কৰি অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাস, কাৰ্যকৰী সভাপতি হিৰণ্য হাজৰিকা, দিশপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ নৱ কুমাৰ বৰা আদি বিশিষ্ট নাট্য সংগঠকসকল উপস্থিত থাকিব। নাট সমাৰোহখনৰ প্ৰস্তুতিৰ বিষয়ে আজি সন্ধ্যা হোজাই সাহিত্য সভা ভৱনত আয়োজক সমিতিয়ে এক সংবাদ মেলত এই বিষয়ে মন্তব্য কৰে। হোজাই সাহিত্য সভাৰ সাহিত্যৰথী বেজবৰুৱা ভৱনত এই সংবাদ মেলৰ নাট সমাৰোহৰ সমিতিৰ আয়োজক সমিতিৰ সভাপতি অনুপ কুমাৰ বৰঠাকুৰ সহঃ সাধাৰণ ভাস্কৰজ্যোতি শইকীয়া, সম্পাদক, প্ৰচাৰ উপ-সমিতিৰ আহ্বায়ক কিশলয় দেৱগোস্বামী, অসম নাট্য সন্মিলন, হোজাই সদৰ শাখা সম্পাদক প্ৰশান্ত বৰকাকতি আদি উপস্থিত আছিল। নাটসমূহ সন্ধ্যা ছয় বজাৰ পৰা আৰম্ভ হ'ব। সংবাদ মাধ্যমৰ আগত জনোৱা মতে হোজাই নাট্য সন্মিলনৰ তৰফৰপৰা দুটা বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এইবাৰ পোনপ্ৰথমবাৰৰ বাবে ৰাজ্যিকভিত্তিত স্বৰ্গীয় অমল বৰা সোঁৰৱণী বঁটা অসমৰ নাট্য আন্দোলনৰ অন্যতম মানিক আহমেদক আৰু আঞ্চলিক ভিত্তিত স্বৰ্গীয় বাবুল বৰা সোঁৰৱণী বঁটা এসময়ত কহিনুৰ থিয়েটাৰত অভিনয় কৰা হোজাইৰ মামণি কৌৰক প্ৰদান কৰা হ'ব।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39


# দৰঙত পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনৰ ব্যাপক তৎপৰতা

## ৮১৩ টা ভোটকেন্দ্ৰত ৬ লাখ ৫৬ হাজাৰ ৯৬৭ গৰাকী ভোটাৰে সাব্যস্ত কৰিব ভোটাধিকাৰ

**ই-সংবাদ বিশেষ, মঙলদৈ, ৬ এপ্ৰিলঃ** ৰাজ্যিক নিৰ্বাচন আয়োগে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে তৎপৰ হৈছে দৰং জিলা প্ৰশাসন। জিলাখনত দ্বিতীয় পৰ্যায়ত অৰ্থাৎ ৭ মে'ত অনুষ্ঠিত হ'বলগা পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে জিলা প্ৰশাসনে। জিলা আয়ুক্ত পৰাগ কুমাৰ কাকতীয়ে এখন সংবাদমেল যোগে জিলাখনৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৪৯ নম্বৰ ছিপাঝাৰ, ৫০ নম্বৰ মঙলদৈ আৰু ৫১ নম্বৰ দলগাঁও সমষ্টিত থকা ৭৫০ খন গাঁৱক সামৰি হ'বলগা গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদীয় সমষ্টিৰ বাবে ৮১৩ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰ ২৮৬ টা ছিপাঝাৰৰ, ২১৪ টা মঙলদৈৰ আৰু ৩১৩ টা দলগাঁৱৰ বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে এইবাৰ দৰং জিলাত নতুনকৈ গঠন হোৱা তিনিখন সম জিলা ক্ৰমে ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁৱে নিজাববীয়াকৈ পঞ্চায়ত নিৰ্বাচন পৰিচালনা কৰিব আৰু সংশ্লিষ্ট সম জিলাসমূহতেই ভোটগণনাও সম্পাদন কৰা হ'ব। এইবাৰ পঞ্চায়ত নিৰ্বাচনত ছিপাঝাৰ বিধানসভা সমষ্টিত ১,৯৬,১৮০ গৰাকী, মঙলদৈ বিধানসভা সমষ্টিত ১,৬৫,৫৪২ গৰাকী আৰু দলগাঁও বিধানসভা সমষ্টিত ২,৯৫,২৪৫ গৰাকীকে ধৰি জিলাখনৰ মুঠ ৬ লাখ ৫৬ হাজাৰ ৯৬৭ গৰাকী ভোটাৰে ভোটদান কৰিব। জিলাখনৰ ১২ টা জিলা পৰিষদীয় সমষ্টিৰপৰা ১২ গৰাকী পাৰিষদ, পাঁচখন আঞ্চলিক পঞ্চায়তৰ বাবে ৭৫ গৰাকী আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ৭৫ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৭৫০ খন গাঁৱৰপৰা ৭৫০ গৰাকী ৱাৰ্ড সদস্য নিৰ্বাচিত কৰিব ভোটাৰ ৰাইজে। বেলট কাকতৰ জৰিয়তে অহা ৭ মে'ত হ'বলগা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম সময় ১১ এপ্ৰিলৰ বিয়লি ৩ বজা ধাৰ্য কৰাৰ লগতে ১৭ এপ্ৰিলৰ বিয়লি ৩ বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব আৰু ভোটগণনা অনুষ্ঠিত হ'ব ১১ মে'ত। এই পঞ্চায়ত নিৰ্বাচনত প্ৰাৰ্থিত্ব আগবঢ়াব বিচৰা জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতা সাধাৰণ জাতিৰ বাবে ন্যূনতম উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি, অ' বি চি, এম অ' বি চিৰ বাবে ন্যূনতম মেট্ৰিক উত্তীৰ্ণ হ'ব লাগিব। আনহাতে, গাঁও পঞ্চায়ত সদস্যৰ বাবে সাধাৰণ জাতিৰ মেট্ৰিক উত্তীৰ্ণ আৰু অনুসূচীত জাতি, অনুসূচীত জনজাতি, অ' বি চি, এম অ' বি চিৰ বাবে দশম শ্ৰেণীলৈ পঢ়া হ'ব লাগিব। আনহাতে, প্ৰাৰ্থীসকলৰ ১৯ মাৰ্চ ২০১৮ ৰ পিছত তিনিটা সন্তান জন্ম হোৱাহ'লে তেনে প্ৰাৰ্থী অযোগ্য হ'ব। অৱশ্যে যমজ সন্তান জন্ম হ'লে তেনেক্ষেত্ৰত ৰেহাই হ'ব। যিসকল প্ৰাৰ্থীৰ উক্ত তাৰিখৰ আগতে তিনিটা সন্তান জন্ম হৈছে তেওঁলোকৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে সংবাদ মেলত উল্লেখ কৰে। এই নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে দৰং জিলাত তিনিগৰাকী পৰ্যৱেক্ষক নিয়োগ কৰিছে আৰু তেওঁলোকৰ প্ৰত্যেকেই একোখনকৈ সম জিলাত নিৰ্বাচন তদাৰক কৰিব।

# চেণ্টাৰ অব্ মেডিকেল এণ্ড ছেলছ ৰিপ্ৰেজেণ্টিটিভছ্ ইউনিয়নৰ বৰপেটা জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, বৰপেটাৰোড, ৬ এপ্ৰিলঃ** আজি চেণ্টাৰ অব্ মেডিকেল এণ্ড ছেলছ ৰিপ্ৰেজেণ্টিটিভছ্ ইউনিয়নৰ বৰপেটা জিলা সমিতিৰ উদ্যোগত পুৱা ১১ বজাত বৰপেটাৰোডৰ আই এম এ হাউছত প্ৰতিষ্ঠানটোৰ ২৩ সংখ্যক সাধাৰণ পৰিষদৰ এখন সভা অনুষ্ঠিত হোৱাৰ লগতে এই উপলক্ষে প্ৰকাশ কৰি উলিওৱা এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। স্মৃতিগ্ৰন্থখন উন্মোচন কৰে বৰপেটাৰোডৰ বিশিষ্ট চিকিৎসক ডাঃ হৰেন চৌধুৰীয়ে। এই অনুষ্ঠানত উপস্থিত থাকে বৰপেটাৰোডৰ বিশিষ্ট চিকিৎসক ডাঃ তৰুণ ৰায় চৌধুৰী, ডাঃ ৰমানন্দ পাঠক, ডাঃ অৰ্ণৱ শৰ্মা। আনহাতে, সভাত অহা ২০ মে'ত হ'বলগীয়া সৰ্বভাৰতীয় ধৰ্মঘটত সম্পৰ্কে ব্যাখা কৰে চি আৰ ইউৰ বৰপেটা জিলাৰ সম্পাদক অনাথ ৰয় কৰ্মকাৰে। সভাত উপস্থিত থাকে মেডিকেল আৰু ছেলছ্ ৰিপ্ৰেজেণ্টেটিভছৰ সৰ্বভাৰতীয় সংগঠন এফ এম আৰ এ আইৰ কাৰ্য নিৰ্বাহক সদস্য দ্বিপায়ন চক্ৰৱৰ্ত্তী, চেণ্টৰ অব মেডিকেল আৰু ছেলছ ৰিপ্ৰেজেণ্টেটিভছৰ উত্তৰ-পুৰ্বাঞ্চলৰ সম্পাদক ৰাতুল বৰ্মনৰ উপৰিও বৰপেটা জিলাৰ প্ৰায় শতাধিক সদস্য। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে চি আৰ ইউ বৰপেটা জিলাৰ উপ-সভাপতি চন্দন কুমাৰ সাহাই। চি আৰ ইউৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰাতুল বৰ্মনে




ভাষণ প্ৰসংগত কয় যে চি আৰ ইউয়ে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰি আহিছে যে অতিশীঘ্ৰে ঔষধৰ মূল্যবৃদ্ধিৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰক, ঔষধৰ মূল্য নিয়ন্ত্ৰণ আৰু মূল্য নিৰ্ধাৰণৰ প্ৰক্ৰিয়া সলনি কৰক, ঔষধৰ ওপৰত থকা সামগ্ৰী আৰু সেৱা কৰ প্ৰত্যাহাৰ কৰক, অত্যাৱশ্যকীয় ঔষধৰ পৰ্য্যাপ্ত যোগানৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰক আহ্বান জনায়। সৰ্বভাৰতীয় সংগঠন এফ এম আৰ এ আইৰ কাৰ্যনিৰ্বাহক সদস্য দ্বিপায়ন চক্ৰৱৰ্ত্তীয়ে জনায় যে অহা ২০ মে' তাৰিখে ওপৰোক্ত দাবীসমূহ লৈ সৰ্বভাৰতীয় ধৰ্মঘটত সকলো মেডিকেল আৰু ছেলছ ৰিপ্ৰেজেণ্টেটিভক সমৰ্থন কৰিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় চৰকাৰে চাৰিখন শ্ৰম সংহিতা প্ৰয়োগ কৰাৰ চিন্তা কৰিছে। Code on Wages, Code on Social Security, Code on Industrial Relation আৰু Code on Occupational Safety & Health এই চাৰিখন শ্ৰম সংহিতাৰ জৰিয়তে শ্ৰমিকৰ সকলোধৰণৰ অধিকাৰ খৰ্ব কৰি কেৱল আৰু কেৱল মাত্ৰ মালিকৰ অৰ্থাৎ পুঁজিপতিৰ স্বাৰ্থত সকলো কৰিব বিচৰা হৈছে। এয়া আমাৰ বাবে এক অশনি সংকেত। সংগঠনে এই শ্ৰম সংহিতাৰ বিৰোধিতা কৰিছে আৰু ছেলছ্ প্ৰমোচন এমপ্লয়িজসকলৰ স্বাৰ্থ সুৰক্ষিত কৰা ছেলছ্ প্ৰমোচন এমপ্লয়িজ আইন ১৯৭৬ পালন কৰাৰ দাবী জনাইছে।

# একেটা ৰাজহ চক্ৰতে বছৰ বছৰ ধৰি চাকৰি কৰি থকা ৯০ গৰাকী মণ্ডল-কাননগোক বদলি

**ই-সংবাদ, মির্জা, ৬ এপ্রিলঃ** কামৰূপ জিলাত একেটা ৰাজহ চক্ৰতে দীৰ্ঘদিন ধৰি চাকৰি কৰি অহা ৯০ গৰাকী মণ্ডলক অৱশেষত জিলা আয়ুক্তই যোৱা মঙলবাৰে এক নিৰ্দেশনাযোগে বদলি কৰে। জিলাখনত জিলা পৰ্য্যায়ৰ কৰ্তৃত্বশীল কেতবোৰ বিষয়াৰ প্ৰশাসনিক শিথিলতাৰ হেতুকে একাংশ মণ্ডল-কাননগোৱে নিজৰ খেয়াল-খুচি মতে একেটা ৰাজহ চক্ৰতে বছৰ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰি থাকিবলৈ সক্ষম হোৱাত কামৰূপ জিলা প্ৰশাসনৰ শিথিলতাৰ সুযোগ লৈছে কৰ্মচাৰীসকলে। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে আয়ুক্তৰ কাৰ্য্যালয়ৰ সংশ্লিষ্ট শাখা আৰু চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ পৰা তথ্য বিচাৰে। আয়ুক্তগৰাকীয়ে এই সন্দৰ্ভত লাভ কৰা প্ৰতিবেদন পৰ্য্যবেক্ষণ কৰি হতবাক হৈ পৰে। কিয়নো জিলাখনৰ একাংশ মণ্ডল-কাননগোক তিনি বছৰৰ ব্যৱধানত বদলিকৰণ কৰি অহাৰ বিপৰীতে আন কেতবোৰ মণ্ডল-কাননগোৱে আকৌ একেটা ৰাজহ চক্ৰতে ৭ বছৰপৰ্য্যন্ত চাকৰি কৰি থকাটো জিলা আয়ুক্তৰ দৃষ্টি গোচৰ হয়। উল্লেখযোগ্য যে জিলাখনত কৰ্মৰত মণ্ডলসকলৰ ৮৪ গৰাকীয়ে একেটা ৰাজহ চক্ৰত ৩ বছৰ অতিক্ৰম কৰি যোৱাৰ পিছতো কাৰ্যনিৰ্বাহ কৰি আছিল। ইয়াৰে অধিকাংশ মণ্ডল-কাননগো ৫ ৰপৰা ৭ বছৰ পৰ্য্যন্ত একেটা ৰাজহ চক্ৰত কৰ্মৰত অৱস্থাত থকা বিষয়টোৰ সত্যতা প্ৰতিপন্ন হোৱাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই তিনি বছৰৰ অধিক কাল একেটা ৰাজহ চক্ৰত কাম কৰি থকা মণ্ডলসকলক বদলিকৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ কাৰ্য্যালয়ৰ সংশ্লিষ্ট শাখাক নিৰ্দেশনা দিয়ে। অৱশ্যে মণ্ডল-কাননগোৰ বদলিৰ প্ৰক্ৰিয়াটো আয়ুক্তৰ কাৰ্য্যালয়ে যোৱা ডিচেম্বৰ মাহতে আৰম্ভ কৰি তাৰ পৰৱৰ্তী সময়ত বদলিকৰণৰ তালিকাও প্ৰস্তুত কৰে যদিও সেইসময়ত চলি থকা কেতবোৰ গুৰুত্বপূৰ্ণ চৰকাৰী কাম, মিছন বসুন্ধৰা, ৰাভা হাছঙৰ নিৰ্বাচন আদি কামৰ পৰিপ্ৰেক্ষিতত বদলিকৰণৰ তালিকা কিছু পলমকৈ প্ৰকাশ কৰিবলগীয়া হয়। যোৱা মঙলবাৰে লেগু ৰেকৰ্ড শাখাই এইদৰে একেটা ৰাজহ চক্ৰত বদলি অবিহনে তিনিৰ পৰা সাত বছৰপৰ্য্যন্ত চাকৰি কৰি থকা ৯০ গৰাকী মণ্ডলৰ তৎকালীনভাৱে বলৱৎ হোৱাকৈ বদলিৰ নিৰ্দেশনা প্ৰকাশ কৰে। জানিব পৰা মতে, ইতিমধ্যে বদলি হোৱা মণ্ডল-কাননগোসকলৰ সৰহসংখ্যককে কালি নিজ নিজ কাৰ্যালয়ৰপৰা অব্যাহতি দিয়াৰ পিছত আজি নতুন কৰ্মক্ষেত্ৰত যোগদান কৰে।

## কমলপুৰত দুই মেৰুত থকা সত্যব্ৰত-দিগন্তৰ যুটীয়া সংবাদ মেল



**ই-সংবাদ, উত্তৰ কামৰূপ, ৬ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ লগে লগে ৰাজনৈতিক দলবোৰে আৰম্ভ কৰিছে নিজ নিজ সমীকৰণ। কামৰূপ জিলাৰ কমলপুৰ সমষ্টিত আজি এক নিৰ্বাচনকেন্দ্ৰীক ব্যতিক্ৰমী দৃশ্য দেখা গ'ল। অগপ নেতা সত্যব্ৰত কলিতা আৰু বিজেপি বিধায়ক দিগন্ত কলিতাই আজি কৰৰা যুথ এথলেটিক ক্লাবৰ সভাগৃহত এক সংবাদ মেলৰ আয়োজন কৰে। '২৬ৰ বিধানসভা নিৰ্বাচনক লৈ অগপ নেতা তথা সমষ্টিটোৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা আৰু বৰ্তমানৰ বিজেপি বিধায়ক দিগন্ত কলিতা দুই মেৰুত থাকিলেও পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত আজি একেলগে সংবাদমেল দিয়াটোৱে তাৎপৰ্য বহন কৰিছে। প্ৰাক্তন বিধায়ক তথা অগপ নেতা সত্যব্ৰত কলিতাই প্ৰথমে সংবাদ মেল সম্বোধন কৰি কয় যে মিত্ৰতাৰ ধৰ্ম পালন কৰি দুয়োটা দলে সমাগত পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হৈ এশ শতাংশ আসন জয় নিশ্চিত কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে। পঞ্চায়ত সদস্য, আঞ্চলিক সদস্য আৰু জিলা পৰিষদৰ সদস্যৰ প্ৰাৰ্থীসমূহ ভাগ-বতোৱাৰ ক্ষেত্ৰত দুয়োটা দলৰ ব্লক সভাপতি, আঞ্চলিক সভাপতি আৰু জিলা সভাপতিয়ে আলোচনা কৰি সিদ্ধান্ত ল'ব বুলি প্ৰাক্তন বিধায়কগৰাকীয়ে সংবাদ মেলত ব্যক্ত কৰে। আনহাতে, '২৬ৰ বিধানসভা নিৰ্বাচনত কমলপুৰ সমষ্টিত প্ৰাৰ্থিত্বৰ ক্ষেত্ৰত নিজৰ নিজৰ দাবীত সোচ্চাৰ হৈ থকা বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত অগপ নেতাগৰাকীয়ে কয় যে কাক প্ৰাৰ্থিত্ব আগবঢ়াই সেয়া দুয়োটা দলৰ সভাপতি দ্বয় আৰু মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত ল'ব। ইয়াৰ পিছত কমলপুৰৰ বিজেপি বিধায়ক দিগন্ত কলিতাই সংবাদমেল সম্বোধন কৰি কয় যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আগ্ৰহ আৰু দুই দলৰ সভাপতিৰ নিৰ্দেশমৰ্মে অসমত এন ডি এৰ অংশীদাৰী দলসমূহক লগত লৈ পঞ্চায়ত নিৰ্বাচন খেলিব লাগে। সেয়ে কমলপুৰ সমষ্টিত দুই দলে মিত্ৰতাৰে পঞ্চায়ত মহাৰণত অৱতীৰ্ণ হোৱাৰ উদ্দেশ্যে আজি অগপ নেতা সত্যব্ৰত কলিতাক লগত লৈ সংবাদ মেলৰ আয়োজন কৰা হৈছে। ইয়াত দুয়োটা দলৰ নেতা-কৰ্মীয়ে নিজৰ নিজৰ খং, ৰাগ, ক্ষোভ পৰিহাৰ কৰি একেলগ হৈ এই নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ সংবাদ মেলযোগে সকলোকে আহ্বান জনায়। মিত্ৰতাৰে আসনৰ ভাগ-বটোৱাৰা কৰি কমলপুৰত বিৰোধীক প্ৰতিহত কৰাৰো হুংকাৰ দিয়ে বিধায়ক দিগন্ত কলিতাই। সংবাদ মেলত বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি ভাস্কৰজ্যোতি কলিতা আৰু অগপৰ কমলপুৰ বিধানসভা সমষ্টিৰ সভাপতি নজিম আহমেদকে ধৰি দুয়োটা দলৰ কেইবাগৰাকীও নেতা-কৰ্মী উপস্থিত থাকে।

## হাতীগাঁৱত দি হাৰ্টৰ স্বাস্থ্য পৰীক্ষা শিবিৰ



**ই-সংবাদ, গোলকগঞ্জ, ৬ এপ্ৰিলঃ** অসমৰ আগশাৰীৰ বেচৰকাৰী সংস্থা দি হাৰ্টৰ উদ্যোগত কালি গুৱাহাটীৰ হাতীগাঁওস্থিত দি হাৰ্টৰ স্থায়ী কাৰ্যালয়ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে স্বাস্থ্য সজাগতা শিবিৰ অনুষ্ঠিত হয়। পুৱা দহ বজাৰপৰা আৰম্ভ হোৱা শিবিৰটো সমগ্ৰ দিন ধৰি চলি থাকে। শিবিৰত হৃদৰোগ বিশেষজ্ঞ চিকিৎসক তথা দি হাৰ্টৰ সভাপতি ডাঃ চন্দন মোদক, চকু, নাক, কাণ, ডিণ্ডি আৰু কৰ্কট ৰোগ বিশেষজ্ঞ চিকিৎসক ডাঃ বি চি ৰায় আৰু ডাঃ আমিৰ ডি ছাংমাই শতাধিক লোকৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধৰ যোগান ধৰে। চিকিৎসা সেৱাৰ পূৰ্বে প্ৰয়োজন অনুসৰি লোকসকলৰ লিভাৰৰ ফাইব্ৰস্কেন, ইচিজি, ৰক্তচাপ, ছুগাৰ, লিপিড প্ৰফাইল আদিও বিনামূলীয়াকৈ পৰীক্ষা কৰা হয়। একাংশ যুৱক-যুৱতীক শিবিৰত বি এল এছ আৰু চি পি আৰৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। অনুষ্ঠানত স্বাস্থ্য সচেতনতাৰ বিষয় সম্পৰ্কে উপস্থিত লোকসকলৰ মাজত বিশেষভাৱে আলোচনা কৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ উদ্যোগত প্ৰাকৃতিক শিবিৰৰ সামৰণি

**ই-সংবাদ, গোৰেশ্বৰ, ৬ এপ্ৰিলঃ** অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ তত্ত্বাৱধানত আৰু অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ উদ্যোগত কালিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে ওডালগুৰি জিলাৰ বৰনদী সংৰক্ষিত অভয়াৰণ্যত ছাত্ৰ-ছাত্ৰীসকলৰ জৈৱ-বৈচিত্ৰ্যৰ জ্ঞান দিয়াৰ উদ্দেশ্যে আয়োজিত এটা প্ৰাকৃতিক শিবিৰৰ আজি সন্ধিয়া সামৰণি পৰে। তদুপলক্ষে দাওৰাঝাৰ ইক' টুৰিজিম ছ'চাইটীৰ (বগামাটি) কাৰ্যালয় প্ৰাংগণত অনুষ্ঠিত সামৰণি অনুষ্ঠানত শিবিৰত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে বৰনদী অভয়ৰণ্যত লাভ কৰা অভিজ্ঞতাৰ ওপৰত আলোচনা কৰা হয়। অসম বিজ্ঞান সমিতিৰ গোৰেশ্বৰ শাখাৰ সম্পাদক মকুণ্ড কাকতিয়ে আঁতধৰা অনুষ্ঠানত দাওৱাঝাৰ ইক' টুৰিজিম ছ'চাইটীৰ সভাপতি ৰবিৰাম বড়ো আৰু সম্পাদক জাওদাং বসুমতাৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিবিৰত অংশগ্ৰহণ কৰা গোৰেশ্বৰ অঞ্চলৰ ১০খন শিক্ষানুষ্ঠানৰ মুঠ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। শিবিৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডিম্বেশ্বৰ ৰাজবংশী, মলয় কুমাৰ ডেকা, আনন্দ বড়ো, নিতাই চক্ৰৱৰ্তী, বিজয় দাহাল, ধৰ্মকান্ত ৰাজবংশী আৰু জিতেশ বিশ্বাস। কালি দুপৰীয়া বৰনদী অভয়াৰণ্যৰ ৰাজাগড় বনাঞ্চলিক কাৰ্যালয়ৰ প্ৰাংগণত বন বিষয়া ৰাজেন দৈমাৰীয়ে প্ৰকৃতি শিবিৰটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উদ্বোধনী ভাষণত বন বিষয়া দৈমাৰীয়ে অভয়াৰণ্যখনত থকা জীৱ-জন্তু, চৰাই-চিৰিকটি, গছ-বিৰিখৰ সন্দৰ্ভত বক্তব্য প্ৰদান কৰাৰ লগতে প্ৰকৃতি সংৰক্ষণত গুৰুত্ব আৰোপ কৰে। পিছত বন বিষয়াগৰাকীয়ে নিজে নেতৃত্ব বহন কৰি প্ৰকৃতি শিবিৰত অংশগ্ৰহণ কৰাসকলক অভয়াৰণ্যখনৰ এটা অংশ পৰিভ্ৰমণ কৰোৱায়। উল্লেখ্য যে ভাৰত চৰকাৰৰ পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৃষ্ঠপোষকতাত আয়োজিত প্ৰকৃতি শিবিৰটো পৰিচালনা কৰাত দাওৱাঝাৰ ইক' টুৰিজিম ছ'চাইটীৰ সভাপতি-সম্পাদকৰ লগতে সদস্যসকল, সাংবাদিক আব্দুল লতিফ চৌধুৰী, শিক্ষক বীৰেণ দাসে বিশেষভাৱে সহযোগিতা আগবঢ়োৱাৰ লগতে বন বিভাগৰ তামুলপুৰ আৰু ৰাজাগড় বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে সহযোগিতা আগবঢ়ায়।




# ধূপধৰাত কুখ্যাত ড্ৰাগছ বেপাৰী ছহিদুল ইছলামক আটক

## বৃহৎ পৰিমাণৰ ড্ৰাগছ, মটৰ চাইকেলসহ নগদ ধন জব্দ

**ই-সংবাদ, ধূপধৰা, ৬ এপ্ৰিলঃ** গোৱালপাৰা জিলাৰ বৃহত্তৰ ধূপধৰা অঞ্চলত ড্ৰাগছৰ ব্যৱসায় চলাই অহা কুখ্যাত ড্ৰাগছ ব্যৱসায়ী ছহিদুল ইছলামক ধূপধৰা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আটক কৰাৰ পিছতে আৰক্ষীয়ে ছহিদুল ইছলামৰ বাসগৃহৰ পৰা বৃহৎ পৰিমাণৰ সন্দেহজনক নিষিদ্ধ হিৰ'ইন উদ্ধাৰ কৰাৰ লগতে নগদ ধন আৰু বাইক এখন জব্দ কৰে। প্ৰাপ্ত খবৰমতে, আজি পুৱা প্ৰায় ১০.৩০ মান বজাত ছহিদুল ইছলাম নামৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ীজনে ধূপধৰাৰ গুলিয়ানপাৰাত এজন যুৱকক ড্ৰাগছ বিক্ৰী কৰি থকা অৱস্থাত কেইজনমান লোকে প্ৰত্যক্ষ কৰে। পিছত লোককেইজনে ছহিদুলক হাতে-লোটে ধৰাৰ পৰিকল্পনা কৰে। লোককেইজনে ছহিদুলক আটক কৰাৰ লক্ষ্যৰে খেদি যায় যদিও ছহিদুল ইছলামে মটৰ চাইকেলখন এৰি পলায়ন কৰাৰ লগতে ড্ৰাগছ ক্ৰয় কৰিবলৈ অহা যুৱকজনো পলায়ন কৰে। স্থানীয় লোককেইজনেও ছহিদুলৰ পিছে পিছে খেদি গৈ কিছুদূৰত ধূপধৰাৰপৰা খেকাপাৰালৈ যোৱাৰ পথত কাম কৰি থকা কেইজনমান লোকৰ সহযোগত ছহিদুলক আগচি ধৰি কৰায়ত্ত কৰে আৰু আৱদ্ধ কৰি ৰাখে। পিছত আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ছহিদুলক তালাচী চলাই আঠটা ড্ৰাগছভৰ্তি কন্টেইনাৰ উদ্ধাৰ কৰে। ইয়াৰ পিছতে ধূপধৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিৰাদাও গয়াৰীৰ নেতৃত্বত আৰক্ষীৰ এটা দলে ছহিদুলক লগত লৈ ধূপধৰাৰ চেলাবড়ীত থকা ছহিদুলৰ বাসগৃহত অভিযান চলায়। অভিযানৰ সময়ত বাসগৃহৰ চাউল আৰু মুড়ি থোৱা পাত্ৰৰ পৰা ৬০ টাকৈ ড্ৰাগছভৰ্তি কন্টেইনাৰৰ লগতে ৫২ টা খালী কন্টেইনাৰ উদ্ধাৰ কৰে। ইয়াৰ উপৰি আৰক্ষীয়ে ধৃত ছহিদুলৰ পৰা নগদ ২৩,৫৮০ টকা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ছহিদুলৰ এ এছ ১৮ এইছ ৩২৭৪ নম্বৰৰ পালছাৰ মটৰ চাইকেলখনো জব্দ কৰে। উল্লেখযোগ্য যে কুখ্যাত ড্ৰাগছ ব্যৱসায়ী ছহিদুল ইছলামে দীৰ্ঘদিনৰপৰা মাৰাত্মক ড্ৰাগছৰ ব্যৱসায় কৰি বহু যুৱকৰ জীৱন ধ্বংসৰ মুখলৈ ঠেলি দিছে। ইয়াৰ পূৰ্বেও ড্ৰাগছ ব্যৱসায়ৰ অপৰাধত ৰঙাঘৰৰ আলহী হ'বলগীয়াত পৰিছিল ছহিদুল। ছহিদুলৰ এনে কুকৰ্মৰ বাবে কঠোৰ শাস্তি বিহাৰ দাবী উত্থাপন কৰিছে ৰাইজে।

# পশ্চিম যোৰহাট কেন্দ্ৰীয় বিহু সন্মিলনৰ উদযাপন সমিতি গঠন

**ই-সংবাদ, পশ্চিম যোৰহাট, ৬ এপ্ৰিলঃ** ৪৫ সংখ্যক পশ্চিম যোৰহাট কেন্দ্ৰীয় বিহু সন্মিলন পশ্চিম যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত উদযাপন কৰিবলৈ সিদ্ধান্ত কৰি বুল শইকীয়াক সভাপতি, অজিত বৰাক কাৰ্যকৰী সভাপতি, ৰাজেন কোঁৱৰক সম্পাদক, প্ৰশান্ত খাউণ্ড, সৌন্দৰ্য বৰুৱাক যুটীয়া সম্পাদক, ৰাজু বৰপুজাৰী, ৰাজু নেওগক সহকাৰী সম্পাদক, পদ্ম বৰাক কোষাধ্যক্ষৰূপে লৈ আজি উদযাপন সমিতি এখন গঠন কৰা হয়। পশ্চিম যোৰহাট ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত বুল শইকীয়াৰ সভাপতিত্বত জীৱকান্ত বৰাই আঁতধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমিতিখন গঠন কৰাৰ লগতে ১৯ এপ্ৰিলত বিহু সন্মিলনৰ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত কৰে। জীৱকান্ত বৰাক সভাপতি, কৃপাল দত্তক সম্পাদকৰূপে লৈ সাংস্কৃতিক উপ-সমিতিখন গঠন কৰাৰ উপৰি মঞ্চ, প্ৰেক্ষাগৃহ, প্ৰতিযোগিতা, অভ্যৰ্থনা, প্ৰচাৰ, পৰিবহণ আদি বিভাগবোৰ পৰৱৰ্তী সভাত গঠন কৰিবলৈ সিদ্ধান্ত কৰে। সন্মিলন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অঞ্চলটোৰ ৰাইজৰ সহযোগিতা কামনা কৰে নৱগঠিত উদযাপন সমিতিখনে।

# ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান সম্পন্ন

## বিদ্যালয়সমূহত নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ খুবেই প্ৰয়োজন হৈছে : দেৱেন্দ্ৰ দেৱগোস্বামী



**ই-সংবাদ, মধ্য মাজুলী, ৬ এপ্ৰিলঃ** সাম্প্ৰতিক সময়ত বিদ্যালয়সমূহত নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ খুবেই প্ৰয়োজন হৈছে। আধ্যাত্মিক আৰু নৈতিক শিক্ষাইহে আমাৰ সমাজখনক পুনৰ সুস্থিৰ অৱস্থালৈ অহাত সহায় কৰিব। আজি মাজুলীৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ অন্তিম দিনৰ মুকলি সভা উদ্বোধন কৰি জোনাকী ছমহীয়াআটী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেৱেন্দ্ৰ দেৱ গোস্বামীয়ে এনেদৰে কয়। তেওঁ আৰু কয় যে সমাজখনত এতিয়া প্ৰতিদিনে হত্যা, লুণ্ঠন, অপহৰণ, সন্মানীয়জনক অসন্মান প্ৰদৰ্শন, পিতৃ-মাতৃৰ প্ৰতি অৱহেলা আৰু যুৱ উচ্ছৃংখলতাই গ্ৰাস কৰিছে। চাৰিওফালে আটকধুনীয়া অট্টালিকা আছে কিন্তু এখন প্ৰকৃত ঘৰ নোহোৱা হৈছে। ঘৰ এখনত সকলো একত্ৰিত হৈ একেলগে এসাঁজ খোৱাৰ পৰম্পৰা এতিয়া নোহোৱা হ'ল। তেনে মনোভাবেৰে সমাজখনো আত্মকেন্দ্ৰীক হৈ পৰাত এতিয়া নিজৰ আপোন মানুহেই আপোনক চিনি নোপোৱাৰ দৰে পৰিৱেশ হৈছে। ইয়াৰ পৰিত্ৰাণৰ বাবে এতিয়া দেশৰ নতুন শিক্ষা নীতিতো মূল্যবোধৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে তেওঁ উল্লেখ কৰে। তেওঁ ১৯৭০ চনৰ পৰা ১৯৮৫ চনপৰ্যন্ত মাজুলীৰ লগতে অসমত আৰম্ভ হোৱা শৈক্ষিক বিপ্লৱ সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি পুৱাবেলা উলিওৱা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰা পৰিলক্ষিত হ'ল। পুৱা ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰপৰা আৰম্ভ হোৱা শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নতুন চামগুৰি সত্ৰৰ সত্ৰীয়া তথা বিশিষ্ট মুখাশিল্পী পদ্মশ্ৰী হেমচন্দ্ৰ গোস্বামীয়ে। ইয়াৰ পিছতেই অঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে নিজ নিজ কৃষ্টি সংস্কৃতিৰ সৈতে শোভাযাত্ৰা অংশগ্ৰহণ কৰি সমন্বয়ৰ বাৰ্তা কঢ়িওৱাৰ লগতে মাজুলীৰ মুখাশিল্পী, ভাওনা সংস্কৃতি, সত্ৰীয়া সংস্কৃতিৰ লগতে চহা অসমীয়া প্ৰতিটো সংস্কৃতি প্ৰতিফলিত হোৱা পৰিলক্ষিত হ'ল। ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰপৰা আৰম্ভ হোৱা শোভাযাত্ৰা গোসাঁইবাৰী, কথমীয়া, ভকতিদুৱাৰ, অভয়পুৰীয়া নৰসিংহ সত্ৰ হৈ প্ৰায় পাঁচ কিলোমিটাৰ দূৰত্ব পৰিভ্ৰমণ কৰি পুনৰ ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত উপস্থিত হৈ শোভাযাত্ৰাৰ অন্ত পৰে। ইয়াৰ পিছতেই দিনৰ প্ৰায় ১২.৩০ বজাৰপৰা ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰিৱেশন কৰা সোণালী জয়ন্তী গীতেৰে আৰম্ভ হোৱা মুকলি সভাৰ সঞ্চালনা কৰে ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঋষভ মহন্তই। সভাত মাজুলীৰ বিধায়ক ভুবন গামে ভাষণ প্ৰদান কৰি মাজুলীৰ শৈক্ষিক ক্ষেত্ৰৰ সমস্যাসমূহ সমাধানৰ বাবে পৰ্যায়ক্ৰমে কৰণীয়সমূহ কৰি যোৱাৰ প্ৰতিশ্ৰুতি দিয়াৰ লগতে পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী আচৰণ বিধি বলবৎ থকাৰ মাজতে লক্ষণীয়ভাৱে বিধায়কগৰাকীয়ে ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে পোন্ধৰ লাখ টকাৰ পুঁজি আগবঢ়োৱাৰ কথা ঘোষণা কৰে। ইয়াৰ পিছতেই যোগেন হাজৰিকাই পৰিৱেশন কৰা বৰগীতৰ পিছতেই সোণালী জয়ন্তী সামৰণি বৰ্ষৰ উদযাপন সমিতিৰ প্ৰধান সম্পাদক কৃষ্ণৰাম বৈৰাগীয়ে আদৰণি অভিভাষণৰ পাঠ কৰাৰ পিছতেই উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ জাহ্নৱী লহকৰ বৰুৱাই সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা দেৱজিৎ খাউণ্ড আৰু যোগেন হাজৰিকাৰ সম্পাদিত স্মৃতিগ্ৰন্থ 'সোণালী সৌৰভ' আনুষ্ঠানিকভাৱে উন্মোচন কৰে। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ নবীন শইকীয়াই আঁতধৰা সভাতে বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনা একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু কৃতী শিক্ষকক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। ইয়াৰ পিছতেই সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহযোগী প্ৰধ্যাপক ডাঃ প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ, আন্তঃগাঁঠনিকে আদি কৰি ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াত শিক্ষকসকলৰ ত্যাগৰ প্ৰসংগত মননশীল বক্তব্য ৰাখে। আনহাতে, মুকলি সভাত বিশিষ্ট অতিথি হিচাপে জেংৰাইমুখ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডাঃ কমলাকান্ত দত্ত, ঢকুৱাখনা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ প্ৰদীপ চন্দ্ৰ বৰা, জ্যেষ্ঠ নাগৰিক সন্থাৰ প্ৰাক্তন সভাপতি ৰেৱকান্ত বৰা, আছুৰ কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, চাংকাকতী ট্ৰাষ্টৰ অধ্যক্ষ তথা বিশিষ্ট ব্যৱসায়ী নিৰোদ চাংকাকতী, মাধ্যমিক শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক হৰেন্দ্ৰ নাথ শৰ্মা, উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক দিলীপ কুমাৰ ফুকন, অধ্যাপক উপেন বৰা, গড়মূৰ পীতাম্বৰ দেৱগোস্বামী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ঘণকান্ত নাথ, সমাজকৰ্মী বীৰেন শইকীয়া, সাংবাদিক জিতু কলিতাৰ লগতে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী তথা অঞ্চলৰ ৰাইজ উপস্থিত থাকে। ইফালে, আজি সন্ধিয়া ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ কলজয়ী নাটক কাৰেঙৰ লিগিৰী অঞ্চলটোৰ শিল্পীসকলে মঞ্চস্থ কৰে।

# বৰমা আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ

**ই-সংবাদ, বৰমা, ৬ এপ্ৰিলঃ** সমগ্ৰ ৰাজ্যতে ড্ৰাগছ, গাঞ্জা আৰু নিচাজাতীয় টেবলেটৰ বিৰুদ্ধে আৰক্ষীয়ে মাৰাথান অভিযান চলাই থকাৰ মাজতে শনিবাৰে নিশা বাক্সা জিলাৰ বৰমা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়। বাক্সা জিলাৰ আংগাৰধোৱাৰপৰা বৰচিৰাল অভিমুখে AS-14 R-4823 নম্বৰৰ পালচাৰ বাইকেৰে ১০ কেজি গাঞ্জা লৈ গৈ থকা অবস্থাত বৰমা আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি জব্দ কৰিবলৈ সক্ষম হয় গাঞ্জাখিনি। গাঞ্জা সৰবৰাহ কৰা বাহন জব্দ কৰি মনধন বড়ো নামৰ যুৱকজনক আটক কৰে বৰমা আৰক্ষীয়ে। সম্প্ৰতি বৰমা আৰক্ষীয়ে অধিক তথ্যৰ বাবে মনধন বড়োক সোধাপোচা অব্যাহত কৰি আছে বৰমা।



একবিংশ শতিকাৰ অসমত শিলগুটি এটাও নপৰা মৰিয়নি সমষ্টিৰ পুৰ লাহিং পঞ্চায়তৰ এটি পথ

# অপৰিকল্পিত গতিৰোধকেই হ’ল কাল! কৈকৰাত পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**ই-সংবাদ, দুনী, ৬ এপ্ৰিলঃ** দুৰ্ঘটনা প্ৰতিৰোধৰ নামত হকে-বিহকে নিৰ্মাণ কৰা গতিৰোধকেই দৰঙত প্ৰাণলʼলে এগৰাকী মহিলাৰ। মহিলাগৰাকী স্বামীসহ দেওমৰনৈ পাতিদৰঙত অনুষ্ঠিত বাসন্তী পূজালৈ স্কুটীৰে গৈ থকা অৱস্হাত শোকৰহ দুৰ্ঘটনাৰ বলি হয়। মহিলাগৰাকীক ছিপাঝাৰৰ হাজৰিকাপাৰাৰ তৰুণ শৰ্মাৰ ৫২ বছৰীয়া পত্নী বিজু দেৱী বুলি চিনাক্ত কৰা হৈছে। লক্ষণীয় যে আজি চʼতমহীয়া নৱৰাত্ৰিৰ অষ্টমী তিথিত পূজা-অৰ্চনাৰ বাবে ঘৰৰপৰা বিজু দেৱীসহ তৰুণ শৰ্মা পাতিদৰঙৰ বিখ্যাত অৰ্ধনৰেশ্বৰ মন্দিৰত অনুষ্ঠিত বাসন্তী পূজালৈ ওলাই আহিছিল। দুয়ো যাত্ৰাপথৰ প্ৰায় ৫ কিলোমিটাৰ সুকলমে অতিক্ৰম কৰে যদিও পূজাস্থলীলৈ ৩ কিলোমিটাৰ বাট থাকোতেই কৰুণ মৃত্যুক সাৱটি লয় বিজু দেৱীয়ে। বৰদৌলগুৰি-দেওমৰনৈ পথৰ কৈকৰাত অৱস্থিত গতিৰোধকত নিয়ন্ত্ৰণ হেৰুৱাই পকীপথতে চিটিকি পৰি মূৰত বেয়াকৈ আঘাত পায় দুয়োগৰাকীয়ে। দুয়োকে পাথৰিঘাট আৰক্ষী চকীয়ে উদ্ধাৰ কৰি মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও প্ৰচুৰ ৰক্তক্ষৰণৰ বাবে বিজু দেৱীৰ মৃত্যু হয়। বাসন্তী পূজাত ভাগলোৱাৰ আধৰুৱা স্বপ্ন লৈ ইহ সংসাৰৰপৰা আঁতৰি যোৱা বিজু দেৱীয়ে একমাত্ৰ পুত্ৰ আৰু কন্যাসহ আঘাতপ্ৰাপ্ত স্বামীক এৰি যায়। মনকৰিবলগীয়া যে বগা ৰং সনা অথবা আহল-বহল তথা উচ্চতাৰ হিচাপ নৰখাকৈ হকে-বিহকে দৰঙত নিৰ্মাণ কৰা গতিৰোধকসমূহ এতিয়া যম দুৱাৰৰ পদূলি হৈ পৰা পৰিলক্ষিত হৈছে। দায়িত্বজ্ঞানহীন বিষয়াই ঠিকাদাৰৰ মৰ্জিত এই গতিৰোধকসমূহ নিৰ্মাণ কৰাত সঘনাই যাত্ৰীসকল কঁকালৰ বিষ আৰু দুৰ্ঘটনাৰ বলি হৈ আহিছে।

# মাৰ্ঘেৰিটাত অসম চাহ কৰ্মচাৰী সংঘৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ গঠন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৬ এপ্ৰিলঃ** অসমৰ চাহ উদ্যোগৰ অন্যতম অৰাজনৈতিক শ্ৰম সংগঠন অসম চাহ কৰ্মচাৰী সংঘই জন্মলগ্নৰেপৰা চাহ উদ্যোগৰ উন্নয়নৰ লগতে চাহ উদ্যোগত কৰ্মৰত চাহ কৰ্মচাৰীসকলৰ উন্নয়নৰ বাবে মাত মাতি আহিছে। ইতিমধ্যে ৬২ সংখ্যক বৰ্ষ অতিক্ৰম কৰি অহা ২০২৬ বৰ্ষত সংগঠনটোৱে ৬৩ বছৰত ভৰি দিব। এই উপলক্ষে সংঘৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনখনি মাৰ্ঘেৰিটাত অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। অসম চাহ কৰ্মচাৰী মাৰ্ঘেৰিটা শাখা সংঘৰ আতিথ্যত অনুষ্ঠিত হʼবলগা এই অধিৱেশনৰ উদযাপন সমিতি গঠনৰ উদ্দেশ্যে আজি মাৰ্ঘেৰিটা শাখা সংঘৰ কাৰ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাতে মাৰ্ঘেৰিটা বিধায়ক ভাস্কৰ শৰ্মাক সভাপতি, মণ্টু কাকতিক কাৰ্যকৰী সভাপতি আৰু পূৰ্ণ বৰুৱাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰা হয়। উল্লেখ্যে যে সুদীৰ্ঘ ৪৮ বছৰ পিছত মাৰ্ঘেৰিটাত অনুষ্ঠিত হʼবলগীয়া এই অনুষ্ঠানক লৈ উৎফুল্লিত হৈ পৰিছে সংঘৰ মাৰ্ঘেৰিটা শাখা সমিতিৰ বিষয়ববীয়াৰ লগতে চাহ উদ্যোগৰ লগত জড়িত



কৰ্মচাৰীসকল। অভ্যৰ্থনা সমিতিৰ গঠনৰ উপলক্ষে অনুষ্ঠিত সভাত উপস্থিত থাকে অসম চাহ কৰ্মচাৰী সংঘৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ঋষভ কলিতা, উপ-সভাপতি বীৰেন অধ্যাপক, কোষাধ্যক্ষ ৰাতুল কাকতি, বিধায়ক প্ৰতিনিধি সীমান্ত মাধৱ কটকী, সাংবাদিক ৰবিন মৰাণ, পাৰ্থপ্ৰতীম গোস্বামী, বিকাশ বৰুৱা, প্ৰশান্ত চেতিয়া, মৃদু বৰুৱা, যুৱ ব্যৱসায়ী ৰূপম গগৈসহ চাহ কৰ্মচাৰী সংঘৰ বিভিন্ন পদবীধাৰীসকল আৰু বিভিন্ন দল-সংগঠনৰ নেতৃত্ব।

# বালাভিঠাত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে নিহত এজন

## ২ জনৰ অৱস্থা সংকটজনক

**ই-সংবাদ, বৰপেটাৰোড, ৬ এপ্ৰিলঃ** বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বালাভিঠাত সংঘটিত ভয়ংকৰ পথ দুৰ্ঘটনাত থিতাতে এজন লোক নিহত হোৱাৰ বিপৰীতে সংকটজনক অৱস্থাত দুজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। তীব্ৰবেগী AS-15-AA-4136 নম্বৰৰ KTM বাইক আৰু ই-ৰিক্সাৰ এখনৰ মাজত হোৱা সংঘৰ্ষৰ ফলতেই হয় দুৰ্ঘটনাটো। বৰপেটাৰোডৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা এই ভয়াৱহ পথ দুৰ্ঘটনাটোত থিতাতে নিহত হয় খুদনাবাৰীৰ জাহান আলী। গুৰুতৰভাৱে আহত লালচান্দ মিঞা আৰু চামাদ আলীক সংকটজনক অৱস্থাত বৰপেটাৰোড আৰক্ষীয়ে উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। লালচান্দ মিঞাৰ ঘৰ বৰপেটাৰোডৰ বালাভিতাত আৰু তেওঁ ই-ৰিক্সা চালক আছিল। মৃত জাহান আলী আৰু আহত চামাদ আলীৰ ঘৰ খুদনাবাৰীত।

# মোৰাঝাৰত মৌলানা ফয়জুৰ ৰহমানক সম্বৰ্ধনা

**ই-সংবাদ, মোৰাঝাৰ, ৬ এপ্ৰিলঃ** আজি হোজাইৰ মোৰাঝাৰত অনুষ্ঠিত এখন বিদায় সভাত শিক্ষক তথা ইমাম মৌলানা ফয়জুৰ ৰহমানক বিপুল সম্বৰ্ধনা জনোৱা হয়। মোৰাঝাৰৰ চাৰিংপথাৰৰ ১ নং কুতুব নগৰ জামে মছজিদ প্ৰাংগণত আয়োজিত মুকলি সভাত সভাপতিত্ব কৰে শ্বেখুল হাদিছ মৌলানা নছিৰ উদ্দিনে। শিক্ষকগৰাকীয়ে ১৯৯০ চনত মছজিদত অংশগ্ৰহণ কৰি সুদীৰ্ঘ ৩৫ বছৰ ইমামতিৰ লগতে পাঠদান কৰি আজি বিদায় লয়। উক্ত অনুষ্ঠানত ইছলামিক চিন্তাবিদ মুফতি হাম্মাদ শিৰপুৰী, মৌলানা নাজিম উদ্দিনকে ধৰি ভালেমান অতিথি উপস্থিত থাকে। এক আবেগিক পৰিৱেশত অঞ্চলটোৰ ধৰ্মপ্ৰাণ লোক আৰু ছাত্ৰ-ছাত্ৰীয়ে বিদায়ী ইমাম মৌলানা ফয়জুৰ ৰহমানক বিপুল সম্বৰ্ধনা জনায়। শিক্ষকগৰাকীক আনুষ্ঠানিকভাৱে উদীয়মান যুৱক ৰুফুল ইছলামে প্ৰশস্তি-পত্ৰ পাঠ কৰি পত্ৰখন হাতত তুলি দিয়ে। লগতে আয়োজক সমিতি আৰু প্ৰাক্তন ছাত্ৰ -ছাত্ৰী, শুভাকাংক্ষীয়ে গামোছা, জাপি, ছাতি, গ্ৰন্থ, কাপোৰ, পালেং, আলমাৰি আদি উপহাৰ হিচাপে আগবঢ়োৱাৰ লগতে নগদ এক লাখ টকা আগবঢ়ায়। দুই শতাধিক লোকৰ উপস্থিতিৰে গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানটোৰ সফল সামৰণি পৰে।

# উপৰহালীত ৭২ সংখ্যক ৰঙালী বিহু উদযাপন

**ই-সংবাদ,মির্জা, ৬ এপ্রিলঃ** অসমীয়া জন-জীৱনৰ জাতীয় ঐক্য আৰু সমন্বয়ৰ প্ৰতীক বাপতি সাহোন ৰঙালী বিহুটি প্ৰতিগৰাকী অসমবাসীৰ অতি আদৰৰ । বিগত বছৰ কেইটিৰ দৰে এইবছৰো উপৰহালী গাওঁবাসীয়ে অহা ১৯ আৰু ২০ এপ্ৰিল শনিবাৰ আৰু ৰবিবাৰে দুদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে উপৰহালী দুৰ্গাপূজাস্থলীত ৭২ সংখ্যক ৰঙালী বিহুৰ আয়োজন কৰিছে । উপৰহালী ৰঙালী বিহুৰ সমিতিৰ সভাপতিৰ পদত থাকিব ক্ৰমে দীপক তালুকদা,সাধাৰণ সম্পাদক ভূপেন ঠাকুৰীয়া,উপ-সভাপতিদ্বয় ৰিপু কুমাৰ তালুকদাৰ,ৰাজীৱ তালুকদাৰ,সহঃ সম্পাদকদ্বয় কন্দৰ্প দাস, মৃদুল তালুকদাৰ । প্ৰথম দিন ১৯ এপ্ৰিলৰ কাৰ্যসূচীত থাকিব ৰাতিপুৱা ৮.০০ বজাত বিহুৰ পতাকা উত্তোলন,৮.৩০ বজাত স্মৃতি তৰ্পণ,৯.০০ বন্তি প্ৰজ্বলন,১০.০০ বজাত মুখ্য তোৰণ মুকলি,১০.৩০ সাংস্কৃতিক শোভাযাত্ৰা,সন্ধিয়া ৬.০০ বজাত বিশিষ্ট সমাজকৰ্মী " প্ৰয়াত ধনেশ্বৰ ঠাকুৰীয়া সোঁৱৰণী সাংস্কৃতিক মঞ্চ " বিহু সন্মিলনীক অৰ্পণ । সন্ধিয়া ৮.০০ বজাত উৰপুত ৰূপকোঁৱৰ কলা-কৃষ্টি সমাজ বিহু দলৰ বিহু হুচৰিৰ লগতে স্থানীয় শিল্পীৰ দ্বাৰা গীত-মাত পৰিৱেশন,নিশা ৯.০০ বজাত নিমন্ত্ৰিত শিল্পী প্ৰীতম কোঁচৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন । দ্বিতীয় দিন ২০ এপ্ৰিলৰ কাৰ্যসূচী হিচাপে থাকিব আবেলি ২.০০ বজাত বিভিন্ন খেল ধেমালিৰ প্ৰতিযোগিতাৰ লগতে মুকলি ভেশছন প্ৰতিযোগিতা,সন্ধিয়া ৪.০০ বজাত সম্বৰ্ধনা অনুষ্ঠান,সন্ধিয়া ৭.০০ বজাতবঁটা বিতৰণী অনুষ্ঠান,সন্ধিয়া ৭.৩০ বজাত মঞ্চ মুকলি অনুষ্ঠান,সন্ধিয়া ৮.০০ বজাত সাংস্কৃতিক মঞ্চ উদ্বোধন,সন্ধিয়া ৮.৩০ বজাত বন্তি প্ৰজ্বলন,নিশা ৯.০০ বজাত পশ্চিম গুৱাহাটী ৰংমন বিহু দলৰ বিহু হুচৰি পৰিবেশন,নিশা ১০.০০ বজাত নিমন্ত্ৰিত কণ্ঠশিল্পীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠান পৰিবেশন । উল্লেখযোগ্য ৭২ সংখ্যক উপৰহালী ৰঙালী বিহু সন্মিলনত বিশেষ আকৰ্ষণ হিচাপে থাকিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী গিতালী দেৱী,প্ৰাঞ্জল কাশ্যপ,প্ৰীতম কোচ লগতে বেণ্ড অফ ৩ পাৰ্থপ্ৰতীম বৈশ্য আৰু সংগীবৃন্দ । লগতে বিহুৰ সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিত আৰু সহায়- সহযোগিতা কামনা কৰিছে আয়োজক সমিতিয়ে ।

# গুৱাহাটীত দিলস্ লক্ষ্মীন্দ্ৰ সিংহক 'সাহিত্য ভাস্কৰ' সন্মান

**ই-সংবাদ, গুৱাহাটী, ৬ এপ্ৰিল :** আজি অসম সাহিত্য সভাৰ জয়ন্ত বৰুৱা- লখিমী বৰুৱা সদন কক্ষত বিশিষ্ট কবি, সাহিত্যিক, অভিধান প্ৰণেতা দিলস্ লক্ষ্মীন্দ্ৰ সিংহক আন্তৰ্জাতিক বিষ্ণুপ্ৰিয়া মণিপুৰী এচোছিয়েশ্যন, নতুন দিল্লীৰ তৰফৰ পৰা "সাহিত্য ভাস্কৰ" সন্মান প্ৰদান কৰে। বন্তি প্ৰজ্বলনৰ অন্তত আশুতোষ সিংহই পৰিৱেশন কৰা গীতেৰে আৰম্ভ কৰা সভাৰ আদৰণি ভাষণ দিয়ে এচোছিয়েশ্যনৰ সাধাৰণ সম্পাদক প্ৰেমানন্দ সিংহই । দিলস্ লক্ষ্মীন্দ্ৰ সিংহক অংগ বস্ত্ৰ, ফুলৰ থোপা, স্মাৰক, জনগোষ্ঠীয় টুপি, প্ৰমাণ পত্ৰ আদি প্ৰদান কৰা হয়। সভাত মুখ্য অতিথি হিচাপে বিশিষ্ট কবি আনিচ উজ জামানে অংশগ্ৰহণ কৰি কয়- "যোগ্য জনৰ হাতত এই সন্মান পৰিছে। আমি সুখী। লক্ষ্মীন্দ্ৰ সিংহই নিৰলস সাধনাৰে ক্ষুদ্ৰ জনগোষ্ঠীটোৰ ভাষা-সাহিত্যৰ বিকাশৰ বাবে অহৰহ চেষ্টা কৰি আছে।" সভাত আকাশবাণী আৰু দূৰদৰ্শনৰ অৱসৰপ্ৰাপ্ত বিষয়া দেৱেন্দ্ৰনাথ বসুমতাৰী বিশিষ্ট অতিথি হিচাপে অংশ লয়। বিজয় সিংহই সভাপতিত্ব কৰা সভাত বহুভাষিক সাহিত্য মঞ্চ, অসম চমুকৈ 'বহুবাক'ৰ প্ৰধান সম্পাদক দীপক শৰ্মা, বাংলা সাহিত্যৰ অগ্ৰণী কবি মীনাক্ষী চক্ৰৱৰ্তী, দেউৰী সাহিত্য সভা, অসমৰ সভাপতি ড০ ষড়ানন দেউৰী, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক, 'সাহিত্য কোঁৱৰ' কমল কলিতা, অবিনাশ শৰ্মা, পূৰবী বৰুৱা কাঞ্চন কেজৰিৱাল, গীতা দত্ত চহৰীয়া নিখিল বিষ্ণুপ্ৰিয়া মণিপুৰী মহাসভাৰ হৰেশ্বৰ সিংহই সন্মানিত অতিথি হিচাপে অংশ গ্ৰহণ কৰে।

# বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ লাইখুটা স্থাপন

ই-সংবাদ, গুৱাহাটী, ৬ এপ্ৰিল : আজি নাৰেংগীৰ সমীপৰ বোন্দা আঞ্চলিক জনজাতি ক্ৰীড়া আৰু সাংস্কৃতিক বিকাশ কেন্দ্ৰৰ খেলপথাৰত ৪১ সংখ্যক বোন্দা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ লাইখুটা স্থাপন কৰে। চাকি-বন্তি, ধূপ-ধূনা জ্বলাই পূজা-অৰ্চনা কৰাৰ অন্তত নাৰিকল ভাঙে ৰঙালী বিহু সন্মিলনৰ সভাপতি হেমন্ত তালুকদাৰে। সমূহীয়াকৈ লাইখুটা স্থাপন কৰা হয়। অনুষ্ঠানত মুখ্য উপদেষ্টা কুলেন চন্দ্ৰ নাথ, সভাপতি হেমন্ত তালুকদাৰ, কাৰ্যকৰী সভাপতি ৰুণুমী বড়ো ৰংপী, সাধাৰণ সম্পাদক পংকজ টাৰা, উপ-সভাপতি অৰুণ বড়ো, সত্য কলিতা, কবিৰাম তালুকদাৰ, সহকাৰী সম্পাদক জিতু গগৈ, সঞ্জয় লালুং, বুলু দাস, ৰঞ্জিৎ শইকীয়া, জেতুকাৰ সভাপতি দীপক শৰ্মা, সম্পাদক শৰৎ বৰ্মন, সাহিত্যিক চাণ্ডিৰাম পায়েং, গাঁওবুঢ়া ভানাৰাম লালুং প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বোন্দা আঞ্চলিক ৰঙালী বিহু ২ ব'হাগৰ পৰা ৪ ব'হাগলৈ অনুষ্ঠিত হ'ব। বিভিন্ন দিনত কণ্ঠশিল্পী ৰূপানকৃতা, অলংকৃতা, পংকজ বৰা, সোন্তি বৰদলৈ আদি শিল্পীয়ে গীত পৰিৱেশন কৰিব। লগতে বিহু কেইদিনত বিহু হুঁচৰি, সৰু বিহুৱতি, বৰ বিহুৱতী, জনগোষ্ঠীয় কৃষ্টি দলৰ নৃত্য,জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

# ১৬ নং নমাটি পৰিষদীয় সমষ্টিত বিজেপিৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ,হাওৰাঘাট,৬ এপ্ৰিল :** কাৰ্বি আংলং স্বায়ত্ত-শাসিত জিলা পৰিষদৰ অন্তৰ্গত নমাটি পৰিষদীয় সমষ্টিত যোৱা দেওবাৰে পুৱাৰ ভাগৰে পৰা বিজেপি কৰ্মীৰ মাজত দেখা গ'ল এক উখল্-মাখল্ পৰিবেশ।সমগ্ৰ ভাৰতবৰ্ষৰ লগতে পঞ্চনিষ্ঠাৰ দ্বাৰা প্ৰতিষ্ঠিত বিজেপি দলৰ ৰাষ্ট্ৰ,দল আৰু আত্ম মূলমন্ত্ৰৰে আধাৰিত ৰাষ্ট্ৰীয় দলটোৰ আজি প্ৰতিষ্ঠা দিৱসত পূৱ কাৰ্বি আংলং জিলা বিজেপি ও নমাটি মণ্ডল বিজেপিৰ নিৰ্দেশমৰ্মে দলৰ কাৰ্য্যালয়,বুথ সভাপতিৰ নিজ গৃহকে প্ৰমুখ্য কৰি মণ্ডল কাৰ্য্যালয়ত উত্তোলন কৰা হয় বিজেপিৰ দলীয় পতাকা। বন্তি প্ৰজ্বলন, ৰাষ্ট্ৰীয় সংগীত,বন্দে মাতৰম,ভাৰত মাতা ধ্বনি,দলীয় শ্লোগানৰ লগতে সমল ব্যক্তিৰ বক্তব্যৰে পালন কৰা হয় ৪৬ সংখ্যক বিজেপিৰ প্ৰতিষ্ঠা দিৱস ।আনহাতে প্ৰতিটো বুথত সমল ব্যক্তি হিচাপে বুথ পালকে বক্তব্য ৰাখে দলৰ নীতি আদৰ্শৰ ওপৰত । একেদৰে নমাটি মণ্ডল বিজেপিৰ পাৰখোৱাস্থিত দলীয় কাৰ্য্যালয়ত অসংখ্য কৰ্মীৰ উপস্হিতিত দলীয় পতাকা উত্তোলন কৰে মণ্ডল সভাপতি মেনছিং তিছুই। সমল ব্যক্তি হিচাপে উপস্হিত থাকে ডেনগাওঁ নগৰ সমিতিৰ অধ্যক্ষ প্ৰদীপ ইংতি,হাওৰাঘাট শিক্ষাখণ্ডৰ বৰ্ড অধ্যক্ষ প্ৰহ্লাদ বৰদলৈকে প্ৰমুখ্য কৰি মণ্ডল বিষয় -ববীয়া। ইয়াৰ সমান্তৰালকৈ নমাটি ভি.ডি.চি.ৰ অধ্যক্ষ বৃটেন মহেলাই আনুমানিক এক শতাধিক কাৰ্যকৰ্তাৰ সহযোগত ১৩৫ নং বৰঙাতলি বুথত উদযাপন কৰে বিজেপিৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস । আনহাতে অধ্যক্ষ মহেলাৰ লগত অতিথি হিচাপে উপস্হিত থাকে মণ্ডল মহিলা মৰ্চা সভানেত্ৰী জেউতি ৰংফাৰপি,মণ্ডল উপ-সভানেত্ৰী সুস্মিতা হাচাম,যুৱ মৰ্চাৰ সা:সম্পাদক দলেন চন্দ্ৰ বসুমতাৰীৰ লগতে জেষ্ঠ বিজেপি কাৰ্যকৰ্তা।




# মুছলপুৰত বিজেপিৰ প্ৰতিষ্ঠা দিৱস

**ই সংবাদ, মুছলপুৰ, ৬ এপ্ৰিল:** আজি ভাৰতীয় জনতা পাৰ্টি চমুকৈ বিজেপিৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস । দেশৰ ভিন্ন প্ৰান্তত থকা বিজেপিৰ কাৰ্যালয়সমূহত প্ৰতিষ্ঠা দিৱসৰ কেতবোৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে । একেদৰে বাক্সা জিলা বিজেপিৰ মুছলপুৰস্থিত মুখ্য কাৰ্যালয়তো এই উপলক্ষে এক সভা অনুষ্ঠিত কৰা হয় । উক্ত সভাত উপস্থিত থাকি ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে দলীয় কাৰ্যকৰ্তা সকলক সম্বোধন কৰে । নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তৰুণ শৰ্মাই ভাৰতীয় জনতা পাৰ্টিৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে । বাক্সা বিজেপিৰ সভাপতি দীনেশ বসুৱে সভাপতিত্ব কৰা আজিৰ সভাত ভৱানীপুৰ বিধানসভাসমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰ, বিশিষ্ট সমাজকৰ্মী তৰুণ শৰ্মাৰ উপৰিও অন্যান্য পিছপৰা শ্ৰেণী মৰ্চাৰ ৰাজ্যিক উপ-সভানেত্ৰী ভনিতা মেধি, ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য কুমুদ দাস, বাক্সা জিলা সমিতিৰ উপ-সভাপতি সুৰেশ স্বৰ্গীয়াৰী, নৱ কুমাৰ মেধি, সাধাৰণ সম্পাদক বুবুল সিং ব্ৰহ্ম, জিলা যুৱ মৰ্চাৰ সভাপতি সুভাষ ভট্টৰায়, সাধাৰণ সম্পাদক মানস প্ৰতীম কলিতা, যুৱ নেতা মনীন বড়োকে ধৰি কেবাগৰাকীও বিষয়ববীয়া আৰু দুই শতাধিক কাৰ্যকৰ্তা উপস্থিত থাকে । উল্লেখ্য যে আজিৰ সভাতে বিপিএফ, গণ সুৰক্ষা পাৰ্টীকে ধৰি অন্যান্য দল-সংগঠনৰ কেবাগৰাকীও যুৱ নেতাই বিজেপিৰ নীতি-আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে ।

# গোলকগঞ্জত ড্ৰাগছ সৰবৰাহকাৰী আটক

**ই-সংবাদ গোলকগঞ্জ, ৬ এপ্ৰিল:** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত হালাকুৰা খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ ব্যৱস্থাপনা বিভাগৰ কাষত আজি আৰক্ষীয়ে এজন ড্ৰাগ সৰবৰাহকাৰীক আটক কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অভিযোগ মতে, হালাকুৰাত ব্যাপক হাৰত ড্ৰাগছৰ সৰবৰাহ বৃদ্ধি পাইছে। আজি সৰবৰাহ কৰি থকা অৱস্থাত হালাকুৰা আৰক্ষীয়ে অভিযান চলাই এজনক আটক কৰে যদিও আন এজন পলাই সাৰিবলৈ সক্ষম হয়। দীঘলটাৰী গাঁৱৰ ফছৰ হুছেইনৰ পুত্ৰ মতিয়ৰ আলী। তেঁৱৰ পৰা আৰক্ষীয়ে এটা সন্দেহজনক ব্ৰাউন ছুগাৰৰ কন্টেনাৰ উদ্ধাৰ কৰে। উল্লেখ্য যে যোৱা এক এপ্ৰিলৰ সন্ধিয়া কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰী বিধান ৰায়ৰ নেতৃত্বত এটা চক্ৰই জিনকাটা দ্বিতীয় খণ্ড গাঁৱৰ ৰূপজ্যোতি দেক আক্ৰমণ কৰি ডেৰ লাখ টকা কাঢ়ি নিয়ে। এই সন্দৰ্ভত সিদিনাই হালাকুৰা চকীত এজাহাৰ দাখিল কৰা হয় যদিও আৰক্ষীয়ে আজিলৈকে বিধানক আটক কৰিবলৈ সক্ষম হোৱা নাই।

# কুমাৰীকাটাৰ শিঙৰামাৰীত বিশেষ স্বাস্থ্য শিৱিৰৰ আয়োজন

**ই-সংবাদ তামুলপুৰ, ৬ এপ্ৰিলঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ শিঙৰামাৰী প্ৰাথমিক বিদ্যালয়ত আজি ৰাম মহোৎসৱৰ লগত সংগতি ৰাখি বিশ্ব হিন্দু পৰিষদ, বজৰংগ দল বাকসা জিলাই সাৰথি হস্পিতাল আৰু ইণ্ডিয়ান ডেন্টেল এছোচিয়েচনৰ উদ্যোগত আৰু অসম চেন্টাৰ ফৰ ৰুৰেল ডেভলপমেন্টৰ এছবিআই সঞ্জীৱনী প্ৰকল্পৰ সহযোগত বিশেষ বিনামূলীয়া স্বাস্থ্য শিৱিৰৰ আয়োজন কৰে । শিঙৰামাৰী প্ৰাথমিক বিদ্যালয়ত বিশেষ স্বাস্থ্য শিৱিৰৰ আয়োজন কৰা হয়। ৰাতিপুৱা দহ বজাত ৰাষ্ট্ৰীয় স্বয়ং সেৱক অবিভক্ত বাকসা জিলাৰ সঞ্চালক হৰিৰাম উপাধ্যায়ে বন্তি প্ৰজ্বলনেৰে বিশেষ স্বাস্থ্য শিৱিৰৰ শুভাৰম্ভ কৰে। এই স্বাস্থ্য শিৱিৰত কুসুমজুলি, কাউলী, পানবাৰীৰ লগতে বিভিন্ন গাওঁৰ পৰা অহা ৰোগীসকলক সাৰথি হস্পিতাল, নলবাৰী ডা° বাবু হুছেইন আৰু ডা° নিলয়জ্যোতি দাস আৰু গুৱাহাটীস্থিত অসম দন্ত চিকিৎসক সন্থাৰ চিকিৎসা বিষয়া ডা° ৰিপন দাসৰ নেতৃত্বত এদল দন্ত চিকিৎসকে চিকিৎসা সেৱাৰ লগতে বিনামূলীয়াকৈ ঔষধ প্ৰদান কৰে।

# ৰঙিয়াত ৰণদিয়া শতদল সাহিত্য সভাৰ সাধাৰণ সভা


**ই-সংবাদ, ৰঙিয়া,৬ এপ্ৰিলঃ** ৰঙিয়াত আজি ৰণদিয়া শতদল সাহিত্য সভাৰ সাধাৰণ সভা অনুষ্ঠিত কৰা হয়।সংগঠনটোৰ সভাপতি জয়ন্ত জিৎ কলিতাৰ সভাপতিত্বত স্থানীয় ৰাইজমেল কৃষক ছহিদ ভৱণ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক উজ্বল ডেকাই । কামৰূপ জিলা সাহিত্য সভাৰ বিষয়ববীয়া তিলক চন্দ্ৰ লহকৰে পৰ্যৱেক্ষক ৰূপে অংশগ্ৰহণ কৰা সভাখনত প্ৰতিষ্ঠাপক প্ৰাক্তন সম্পাদক হেমন্ত কলিতা প্ৰমুখ্যে আন কেবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে ।উক্ত সভাতে সৰ্বসন্মতি ক্ৰমে পংকজ পল্লৱ শৰ্মাক সভাপতি , যতীন চন্দ্ৰ ডেকা ,প্ৰদীপ শৰ্মা ,সবিতা বৰ্মণক উপ সভাপতি ,চৈয়দ মোস্তাফা আহমেদক সম্পাদক আৰু ফাৰুক হুছেইনক পত্ৰিকা সম্পাদক ৰূপে নিৰ্বাচিত কৰা হয়।

# কুৰুৱাত লুইতপৰীয়া বিহু সন্মিলন উদ্যাপনৰ বাবে সমিতি গঠন

**ই সংবাদ ,দুমুনিচকী ৬ এপ্ৰিলঃ** ছিপাঝাৰৰ কুৰুৱাৰ (জাহাজঘাট) লুইতপৰীয়া বিহু সন্মিলন খনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে । সেইমৰ্মে স্থানীয় শ্ৰীশ্ৰী শংকৰদেৱ নামঘৰ বাকৰিত ৩৬ সংখ্যাক বিহু সন্মিলন উদ্যাপনৰ বাবে বুলেন দাসৰ সঞ্চালনাত এখন উদ্যাপন সমিতি গঠন কৰা হয়। মুক্তিৰাম দাসক সভাপতি ,বুলেন দাসক কাৰ্যকৰী সভাপতি, হৰিপদ হাজৰিকাক উপ-সভাপতি মিন্টু হাজৰিকাক সম্পাদক ,মাধব দাসক প্ৰধান সম্পাদক, সাৰঙ্গ হাজৰিকা আৰু ৰাজকুমাৰ দত্তক সাংস্কৃতিক সম্পাদক হিচাপে লৈ এখনি শক্তিশালী উদ্যাপন সমিতি গঠন কৰা হয় । উল্লেখ্য যে অহা ৪ আৰু ৫ বহাগত (১৮/১৯ এপ্ৰিল) দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বিহু সন্মিলন উদ্যাপনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে । বিভাগৰ দ্বাৰা মাতৃদুগ্ধ গ্ৰহণ কৰা শিশু আৰু মাতৃৰ যত্ন দিশসমূহ প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত অঞ্চলটোৰ সচেতন ৰাইজ তথা ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# বঙাইগাঁৱত জিলা ভিত্তিত হজযাত্ৰীৰ প্ৰশিক্ষণ কৰ্মশালা

**ই-সংবাদ বিশেষ কলগাছিয়া ৬ এপ্ৰিল :** বঙাইগাঁও জিলা সদৰৰ মাজমজিয়াত আজি দিনজোৰা কাৰ্যসূচীৰে বঙাইগাঁও আৰু চিৰাং জিলাৰ হজযাত্ৰী সকলৰ মাজত প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হয় । সৰ্বভাৰতীয় হজ কমিটিৰ নিৰ্দেশ মতে আৰু উত্তৰ পূৰ্বাঞ্চল হজ কমিটিৰ অধ্যক্ষ নেকিবুৰ জামানৰ নেতৃত্বত হজযাত্ৰী সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে । হজ যাত্ৰী সকলৰ প্ৰশিক্ষণ চলিত মাহৰ ১৬ তাৰিখলৈকে অসমৰ বিভিন্ন জিলাত চলিব বুলি জানিব পৰা গৈছে । আজি বঙাইগাঁও জিলাৰ প্ৰশিক্ষণ কৰ্মশালাত অসম চৰকাৰৰ মাষ্টাৰ ট্ৰেইনাৰ হিচাপে উপস্থিত থাকে বৰপেটা জিলাৰ কলগাছিয়াৰ বিশিষ্ট সাংবাদিক আলহাজ আব্দুল হাই ; গোৱালপাৰা জিলাৰ আলহাজ আব্দুল বাৰী ; গুৱাহাটীৰ আলহাজ ছাজিতুৰ ৰহমান আৰু ময়নুল হক চৌধুৰী । বঙাইগাঁও জিলা হজ কমিটিৰ সভাপতি আলহাজ ছামচুল হুদাৰ সভাপতিত্বত অনুষ্ঠিত হজ প্ৰশিক্ষণ কৰ্মশালাত আন কেবাজন সন্মানীয় ব্যক্তিৰ উপৰিও ষ্টেট বেংকৰ বিষয়া কৰ্মচাৰী উপস্তিত থাকে । এইবেলি অসমৰ পৰা ২৭৭৯ গৰাকী হজযাত্ৰী মক্কালৈ যাত্ৰা কৰিব বুলি জানিব পৰা গৈছে । ইপিনে বিতং তথ্য সংগ্ৰহ কৰাৰ বাবে নাইবা অধিক জানিবৰ বাবে ৮০১১১৩৮৭৯৯ নং ফোন নম্বৰত যোগাযোগ কৰিবলৈ মাষ্টাৰ ট্ৰেইনাৰ আলহাজ আব্দুল হাইয়ে জানিবলৈ দিয়ে ।



# পঞ্চায়ত নিৰ্বাচন ঘোষণা হোৱাৰ পিছতে মাহমৰাত তৎপৰ শাসক বিৰোধী

**ই-সংবাদ, মথুৰাপুৰ, ৬ এপ্রিলঃ** শক্তিশালী ৰূপত পঞ্চায়ত গঠনৰ বাবে তৎপৰ হৈছে চৰাইদেউ জিলাৰ মাহমৰা সমষ্টিৰ মাহমৰা ব্লক কংগ্ৰেছ। সন্মুখত ৰঙালী বিহু। ৰঙালীক আদৰাৰ ব্যাপক প্ৰস্তুতিৰ সমান্তৰালকৈ মাহমৰা সমষ্টিত আৰম্ভ হৈছে নিৰ্বাচনী বতাহ। সমাগত পঞ্চায়ত নিৰ্বাচন পঞ্চায়ত দখল কৰাৰ উদ্দেশ্যেৰে আজি মাহমৰা সমষ্টিৰ মাহমৰা ব্লক কংগ্ৰেছৰ অন্তৰ্গত কচুমাৰীত কংগ্ৰেছ দলৰ অস্থায়ী নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰা হয়। কাৰ্য্যালয় উদ্বোধনৰ লগতে পঞ্চায়ত নিৰ্বাচনত অবতীৰ্ণ হোৱাৰ প্ৰাৰ্থীৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰম্ভ হয়।অগণন কংগ্ৰেছ নেতা , কৰ্মীৰ উপস্থিতিত কাৰ্য্যালয় উদ্বোধন কৰে মাহমৰা ব্লক কংগ্ৰেছৰ সভাপতি কেশৱ গগৈয়ে। উক্ত কাৰ্য্যালয় উদ্বোধন অনুষ্ঠানতউপস্থিত থাকে চৰাইদেউ জিলা কংগ্ৰেছ কমিটিৰ জ্যেষ্ঠ উপ-সভাপতি নিপেন বৰগোহাঁই, জিলা কংগ্ৰেছ কমিটিৰ উপ-সভাপতি প্ৰসেনজিৎ মহন, জিলা যুৱ কংগ্ৰেছৰ সভাপতি গকুল গগৈ,নিৰ্বাচন কমিটিৰ সভাপতি জিতুল গগৈ, সাংগঠনিক সম্পাদক পাৰ্থপ্ৰতিম খনিকৰৰ লগতে বহু দলীয় কৰ্মী উপস্থিত থাকে।

# মাজুলীত 'সাতসৰী'ৰ উদ্যোগত মহিলাক স্বাৱলম্বী কৰাৰ লগতে লোক সংস্কৃতি প্ৰসাৰৰ প্ৰচেষ্টা

**ই সংবাদ বিশেষ, মাজুলী,৬ এপ্রিলঃ** মহিলাৰ কল্যাণমূলক,সমাজ-সংস্কৃতিৰ অনুষ্ঠান ৰাজ্যিক অনুষ্ঠান "সাতসৰী" ৰ এখন গুৰুত্বপূৰ্ণ সাংগঠনিক সভা আজি মাজুলী জিলাৰ নামনি মাজুলীৰ গোৱালগাঁও শাস্ত্ৰী আদৰ্শ পুথিভঁৰালত অনুষ্ঠিত হয়। আজি দুপৰীয়া অনুষ্ঠিত হোৱা উক্ত অনুষ্ঠানত সাতসৰী সামাজিক আৰু সাংস্কৃতিক উন্নয়ন সংস্থাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী প্ৰিয় নাৰী ড০ মন্দিৰা বৰুৱাই অংশগ্ৰহণ কৰে। নামনি মাজুলীৰ বিশিষ্ট মহিলা সংগঠক শিখা ভূঞা মূদৈয়ে আঁত ধৰা উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে ড০ মন্দিৰা বৰুৱাই । নিজৰ ভাষনত ড০ মন্দিৰা বৰুৱাই মহিলা সকল কি দৰে স্বাৱলম্বী হব পাৰে আৰু ভবিষ্যত প্ৰজন্মক শিক্ষা আৰু সাংস্কৃতিক দিশত কেনেকৈ আগবঢ়াই নিব পাৰি সেই বিষয়ে বক্তব্য ৰাখে । তেওঁ অসমৰ আপুৰুগীয়া সম্পদ বিয়ানামদিহানামৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দি ৰাজ্যৰ ভিতৰত সাতসৰীয়ে বহুতো পদক্ষেপ গ্ৰহণ কৰি আছে বুলি উল্লেখ কৰে। ২০০২ চনত প্ৰতিষ্ঠিত সাতসৰীয়ে বৰ্তমান ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত মহিলা উদ্যমিতা বৃদ্ধি কৰি পাছপৰা মহিলা সকলক স্বাৱলম্বী কৰাৰ বিভিন্ন পদক্ষেপ সভাত উল্লেখ কৰে। আৰ্থিকভাৱে দুৰ্বল মহিলাৰ কল্যাণমূলক আঁচনি সন্দৰ্ভতো তেওঁ ব্যাখ্যা আগবঢ়ায়। সাতসৰী"ৰ উক্ত সাংগঠনিক সভাতেই " মাজুলী সাতসৰী আশাপূৰ্ণা সমিতি" নামেৰে আজি গোৱালগাঁও সমিতিখন গঠন কৰা হয়। উক্ত সমিতিত সভানেত্ৰী হিচাপে- গায়ত্ৰী বৰা হাজৰিকা, উপ সভানেত্ৰী - পুষ্প মূদৈ সম্পাদিকা - শিখা ভুঞা মূদৈ সহ সম্পাদিকা বৰ্ণালী বৰা হাজৰিকা,অঞ্জু বৰা ৰূপৰেখা বৰুৱা, সংঘামিত্ৰা চাংমাই হাজৰিকা, কোষাধ্যক্ষা - পম্পি বৰা সাংস্কৃতিক সম্পাদিকা - জুৰি মূদৈআৰু সদস্যা হিচাপে - মিনাক্ষী বৰুৱা,অনিমা হাজৰিকা,ৰিজু বৰা,নমিতা হাজৰিকা বৰা,মৰমী বৰা,ৰিংকুমনি হাজৰিকা আৰু জিনা হাজৰিকাক মনোনীত কৰা হয়। ৰাজ্যিক সাতসৰীৰ উদ্যোগত আজি গঠন কৰা উক্ত "মাজুলী সাতসৰী আশাপূৰ্ণা সমিতি"য়ে আজিৰ পৰা সক্ৰিয় ভাৱে মহিলাৰ স্বাৱলম্বীৰ পথ, বিভিন্ন কল্যাণমূলক কাম আৰু সমাজ-সংস্কৃতিৰ কামসমূহো মাজুলীত কৰি তুলিব বুলি সম্পাদিকা শিখা ভূঞা মূদৈয়ে আজি জানিবলৈ দিছে।

# ডিচেম্বৰত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ অনুষ্ঠান

**ই- সংবাদ, যোৰহাট, ৬ এপ্রিলঃ** অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ ঐতিহ্যমণ্ডিত শতবৰ্ষ মহোৎসৱ অহা ২ আৰু ৩ ডিচেম্বৰত বিস্তৃত কাৰ্যসূচীৰে যোৰহাটত অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত আলোচনা কৰিবৰ কাৰণে আজি ৰাধাকান্ত সন্দিকৈ ভৱনৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহত আয়োজিত ৰাজহুৱা সভাত এখন আদৰণী সমিতি গঠন কৰা হয়। উক্ত আদৰণী সমিতিখনে আগন্তুক দিনসমূহত শতবৰ্ষ কাৰ্যসূচী কেনেদৰে সম্পন্ন কৰিব সেই সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰে। অসম সাহিত্য সভাৰ এটা সূত্ৰই জানিবলৈ দিয়া মতে আদৰণী সমিতিয়ে যোৰহাট জিলা সাহিত্য সভা, মাজুলী জিলা সাহিত্য সভা, শিৱসাগৰ জিলা সাহিত্য সভা, গোলাঘাট জিলা সাহিত্য সভা আৰু চৰাইদেউ জিলা সাহিত্য সভাৰ সহযোগত নৱেম্বৰ মাহত সুৱাগুৰি তোলা অনুষ্ঠানেৰে শতবৰ্ষ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। নৱেম্বৰ মাহৰ চাৰিটা দেওবাৰত সম্পন্ন হ'বলগা এই সুৱাগুৰি তোলা অনুষ্ঠান পৃথকে পৃথকে মাজুলী, শিৱসাগৰ, গোলাঘাট আৰু চৰাইদেউ জিলাত অনুষ্ঠিত হোৱাৰ পাছত ২ ডিচেম্বৰত যোৰহাটৰ কাছাৰী ময়দানত ইয়াৰ মূল কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। এই কাৰ্যসূচীলৈ ভাৰতৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মৰ্মুক নিমন্ত্ৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । সেই উপলক্ষে যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন গোস্বামীক সভাপতি, যোৰহাট জিলা উপায়ুক্ত জয় শিৱানীক কাৰ্যকৰী সভাপতি, প্ৰাক্তন ছাত্ৰনেতা জুল খাউণ্ডক যুটীয়া সম্পাদক হিচাপে লৈ এখন আংশিক আদৰণী সমিতি গঠন কৰে। উক্ত আদৰণী সমিতিৰ কৰ্ণধাৰ সমিতিখনো আজি সভাই গঠন কৰি দিয়ে। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত আজি ৰাজহুৱা সভাই কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। প্ৰস্তাৱ অনুসৰি শতবৰ্ষ অনুষ্ঠানৰ লগত সংগতি ৰাখি চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সৌন্দৰ্য বৰ্দ্ধন, শতবৰ্ষ অনুষ্ঠান উপলক্ষে স্মাৰক গ্ৰন্থ প্ৰকাশ আৰু ভিন্ন কাৰ্যসূচী গ্ৰহণ কৰে। আগন্তুক দিনসমূহত এই কাৰ্যসূচী সম্পন্ন কৰিবলৈ বিভিন্ন কাৰ্যপন্থাৰো সিদ্ধান্ত গ্ৰহণ কৰে। সেই মৰ্মে যোৰহাটকে ধৰি চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ আশে-পাশে থকা জিলাসমূহৰ লগত সহাৰস্থান কৰি আগুৱাই যাবৰ কাৰণে আজি সকলো সংকল্পবদ্ধ হয়। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰাই আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰা আজিৰ অনুষ্ঠানত কাজিৰঙা সমষ্টিৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছা, প্ৰাক্তন বিধায়ক হেমন্ত কলিতা, যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ হাজৰিকা, যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা, মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° জিতাঞ্জলি পূজাৰী, দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয়ৰ অধ্যাপকদ্বয় ড° ৰঞ্জন কুমাৰ ভট্টাচাৰ্য আৰু ড° নিৰেদিতা চাংকাকতি, শিৱসাগৰ জিলা সাহিত্য সভাৰ উপসভাপতি ড° জীৱন কলিতা, মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামসাগৰ নাথ আৰু সম্পাদক সঞ্জীৱ বৰা, গোলাঘাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি দণ্ডিৰাম বৰা, চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক বিপুল বৰুৱা প্ৰমুখ্যে বহু সংখ্যক সাহিত্যপ্ৰেমীয়ে শতবৰ্ষ আয়োজনৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। উল্লেখ্য যে, উক্ত সভাতেই অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড০ জ্যোতিৰেখা হাজৰিকাক প্ৰাক্তন সম্পাদক ক্ষীৰোদ দাসে আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰে। চিৰ চেনেহী মোৰ ভাষা জননী গীতেৰে আৰম্ভ হোৱা সভাখন জাতীয় সংগীত পৰিৱেশনৰে সামৰণি পৰে।

# নগাঁৱৰ নমাটি গাঁৱৰ সাৰ্বজনীন ত্ৰয়োদশ বাৰ্ষিক অখণ্ড ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ সামৰণি

**ই-সংবাদ, বেবেজীয়া, ৬ এপ্ৰিলঃ** নগাঁও জিলাৰ হাতীচোং নমাটি গাঁৱৰ যুৱীয়া নামঘৰত যোৱা ৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ আয়োজিত সাৰ্বজনীন দশম বাৰ্ষিক অখণ্ড ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ দেওঁবাৰে সামৰণি পৰে। এই মৰ্মে, নমাটি গাঁৱৰ যুৱীয়া নামঘৰত প্ৰাতঃপ্ৰসংগ, পৰিৱেশ নিকাকৰণ, ধৰ্মধ্বজা উত্তোলন, খোল প্ৰসঙ্গ, পাঠ প্ৰসংগ, নাম প্ৰসঙ্গ, ভাগৱত স্থাপন, শ্ৰৱন কীৰ্ত্তন আদি বিভিন্ন কাৰ্যসূচীৰ মাজেৰে এই ধৰ্মীয় অনুষ্ঠানটিৰ সমাপ্তি ঘটোৱা হয় । সামৰণিৰ দিনা স্থানীয় অঞ্চলৰ মাজেৰে পৰিভ্ৰমণ কৰা ভাগৱত ভ্ৰমণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানৰ সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই। উদযাপন সমিতিৰ সম্পাদক বিচিত্ৰ মোহন ডেকাই আঁত ধৰা অনুষ্ঠানটিত সভাপতি কমল ৰাজবংশী, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল ডেকাকে আদিকে ধৰি কেইবাশতাধিক ভকত-বৈষ্ণৱ আৰু আইমাতৃ উপস্থিত থাকে। উক্ত ভাগৱত ভ্ৰমণত অংশগ্ৰহণ কৰা গায়ন-বায়ন, আইমাতৃ, কনকন শিশুৰ কৃষ্ণ, ৰাম, শিৱ আদি বিভিন্ন সাংস্কৃতিক বেশভূষাৰে পৰিৱেশ সুন্দৰ আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে । ইফালে, অসমীয়াৰ বাপতি সাহোন সাত বিহুৰ প্ৰাকমুহূৰ্তত এই বৃহত্তৰ অঞ্চলৰ ভকত-বৈষ্ণৱ মহাভাগৱত শ্ৰৱণ-কীৰ্ত্তনত মত্ত হৈ পৰাৰ বিপৰীতে বিগত দিনকেইটাত মহাভাগৱত পাঠৰ মধুৰ গুঞ্জনে গাঁওখনৰ আকাশ-বতাহ মুখৰিত কৰি তোলা দেখা যায়।

# ন-ৰোৱা কুজিসত্ৰত মহোৎসৱৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ৬ এপ্ৰিলঃ** নগাঁও আৰু মৰিগাঁও জিলাৰ সীমান্তত অৱস্থিত অসমৰ অন্যতম প্ৰাচীন ইতিহাস প্ৰসিদ্ধ শ্ৰী শ্ৰী ন-ৰোৱা কুজিসত্ৰৰ গৌৰৱোজ্জল ৩৭৫ তম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আড়ম্বৰপূৰ্ণভাৱে কুজিসত্ৰ মহোৎসৱৰ আয়োজন কৰা হৈছে । অহা ১৭ এপ্ৰিলৰ পৰা পাঁচদিনীয়া বৰ্ণিল সত্ৰীয়া পৰম্পৰাগত কাৰ্যক্ৰমণিকাৰে এই মহোৎসৱভাগ শ্ৰী শ্ৰী ন-ৰোৱা কুজিসত্ৰ বৈষ্ণৱপুৰ থানত অনুষ্ঠিত হ'ব বুলি সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে জানিবলৈ দিছে । তদনুযায়ী ৰাজু বৰুৱাক সভাপতি, জিতুল কলিতাক কাৰ্যকৰী সভাপতি আৰু ৰঞ্জন কুমাৰ গোস্বামীক সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠন কৰা হৈছে । কাৰ্যসূচী অনুসৰি প্ৰথম দিনা পুৱাৰ ভাগত গোবিন্দ মহাপ্ৰভুৰ শ্ৰীচৰণত ভোগ চৰোৱা মহোৎসৱ, আইসকলৰ নাম আৰু পানীতোলা অনুষ্ঠান, সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীৰ দ্বাৰা ধৰ্মধ্বজা উত্তোলন, নৱ বস্ত্ৰ দান গ্ৰহন, গোবিন্দ মহাপ্ৰভুক স্নান আৰু পূজা-অৰ্চনা । দুপৰীয়া খোল-প্ৰসংগ আৰু মুকলি নাম-কীৰ্তন অনুষ্ঠিত হ'ব ।

# উচ্ছেদ অভিযানঃ শোণিতপুৰৰ ঢেকীয়াজুলিত পুনৰ প্ৰশাসনৰ বুলড'জাৰ

**ই-সংবাদ,ঢেকীয়াজুলি , ৬ এপ্ৰিল :** শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ২নং চিতলমাৰীত আজি পুনৰ গৰ্জি উঠিল প্ৰশাসনৰ বুলড'জাৰ। অবৈধভাৱে দখল কৰা ভূমিৰ পৰা বাসিন্দাসকলক উচ্ছেদৰ বাবে শোণিতপুৰ জিলা প্ৰশাসনে আজি এখন বৃহৎ অভিযান চলায়। এই অঞ্চলত প্ৰায় ৭০০ বিঘা মাটিত অতি সোনকালে নিৰ্মাণ হ'বলৈ গৈ আছে ৫০ মেগাৱাটৰ এক সৌৰশক্তি প্ৰকল্প। এই প্ৰকল্পৰ বাবে ২০২৪ চনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভূমি পূজন সম্পন্ন কৰিছিল। কিন্তু উচ্ছেদৰ পিছতো পুনৰ এই ভূমিত কিছু লোকে অবৈধভাৱে বসবাস আৰু খেতি-বাতি আৰম্ভ কৰাৰ তথ্য পোহৰলৈ আহিছিল, যাৰ পিছত প্ৰশাসনে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ঢেকীয়াজুলিৰ ২নং চিতলমাৰীত প্ৰশাসনৰ প্ৰথম উচ্ছেদ অভিযান নহয়। ২০২২ চনতো এই অঞ্চলত এক বৃহৎ উচ্ছেদ অভিযান চলিছিল। সেই সময়তো অবৈধভাৱে বসবাস কৰা লোকসকলক আঁতৰাই মাটি মুকলি কৰা হৈছিল। কিন্তু প্ৰশাসনৰ তৎপৰতা শিথিল হোৱাৰ লগে লগে একাংশ লোকে পুনৰ এই ভূমি দখল কৰি লৈছিল। তেওঁলোকে কেৱল বসবাস কৰাই নহয়, এই মাটিত খেতি-বাতিৰ কামো চলাইছিল। স্থানীয় সূত্ৰৰ মতে, এই অবৈধ দখলৰ ফলত চৰকাৰী প্ৰকল্পৰ কামত প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছিল।২০২৪ চনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই অঞ্চলত ৫০ মেগাৱাটৰ সৌৰশক্তি প্ৰকল্পৰ ভূমি পূজন কৰি অসমৰ নবীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছিল। প্ৰায় ৭০০ বিঘা মাটিত বিস্তৃত এই প্ৰকল্পই অঞ্চলটোৰ অৰ্থনীতি আৰু পৰিৱেশৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে। চৰকাৰৰ লক্ষ্য হৈছে পৰিচ্ছন্ন শক্তিৰ উৎপাদনৰ জৰিয়তে অসমক এক শক্তি সমৃদ্ধ ৰাজ্য হিচাপে গঢ়ি তোলা। কিন্তু এই সপোন বাস্তৱায়িত কৰিবলৈ প্ৰয়োজনীয় ভূমি মুকলি কৰাটো এতিয়া প্ৰশাসনৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। আজি পুৱাৰে পৰা শোণিতপুৰ জিলা প্ৰশাসনৰ এক টিম ঢেকীয়াজুলিৰ ২নং চিতলমাৰীত উপস্থিত হৈ অবৈধভাৱে বসবাস কৰা লোকসকলক উচ্ছেদ কৰাৰ কাম আৰম্ভ কৰে। বুলড'জাৰৰসহায়ত অবৈধ নিৰ্মাণ ভাঙি পেলোৱাৰ লগতে মাটি সম্পূৰ্ণৰূপে মুকলি কৰাৰ প্ৰক্ৰিয়া চলি আছে। অভিযানত প্ৰশাসনৰ লগতে আৰক্ষী বাহিনীৰ এক বৃহৎ দল উপস্থিত আছিল, যাতে কোনো অপ্ৰীতিকৰ ঘটনাৰ সৃষ্টি নহয়। স্থানীয় সূত্ৰৰ মতে, উচ্ছেদৰ সময়ত কিছু বাসিন্দাই প্ৰতিবাদ জনোৱাৰ চেষ্টা কৰিছিল, কিন্তু প্ৰশাসনৰ তৎপৰতাত এই কঠোৰ পদক্ষেপৰ পিছত অঞ্চলটোত শান্তি-শৃংখলা বজাই ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জিলা প্ৰশাসনৰ একজন বিষয়াই জনোৱা মতে, "এই ভূমি চৰকাৰৰ সম্পত্তি আৰু ইয়াক জনহিতৈ ব্যৱহাৰ কৰাৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ। অবৈধ দখলক কোনো কাৰণতে মানি লোৱা নহ'ব।" উচ্ছেদৰ ফলত বহু পৰিয়াল এতিয়া নিজৰ ভৱিষ্যতৰ চিন্তাত পৰিছে। এগৰাকী স্থানীয় বাসিন্দাই কয়, "আমি বহু বছৰ ধৰি ইয়াত বসবাস কৰি আছো। আমাৰ আন ক'ত যোৱাৰ ঠাই নাই।" আনহাতে, আন কিছুমানে এই প্ৰকল্পক সমৰ্থন কৰি কয় যে ই অঞ্চলটোৰ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ।প্ৰশাসনৰ তৰফৰ পৰা জনোৱা হৈছে যে উচ্ছেদৰ পিছত এই ভূমি সম্পূৰ্ণৰূপে সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব, যাতে পুনৰ দখলৰ ঘটনা নঘটে। একেদৰে, সৌৰশক্তি প্ৰকল্পৰ কামো অতি সোনকালে আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। এই প্ৰকল্পই কেৱল শক্তিৰ চাহিদা পূৰণ কৰাই নহয়, স্থানীয় লোকৰ বাবে নতুন কৰ্মসংস্থাপনৰ সুযোগো সৃষ্টি কৰিব বুলি চৰকাৰে দাবী কৰিছে।

# ৰাইদঙীয়াৰ সোণাই নদীৰ উত্তৰ আঞ্চলিক কেন্দ্ৰীয় ৰঙালী বিহুৰ লাইখুটা স্থাপন

**ই-সংবাদ, বেবেজীয়া, ৬ এপ্ৰিলঃ** ৰাজ্যৰ ভিতৰতে এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ সোনাই নদীৰ উত্তৰ আঞ্চলিক কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱটি অহা ১৯ আৰু ২০ এপ্ৰিলত দুদিনীয়া বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদযাপনৰ দিহা কৰা হৈছে । ইতিমধ্যে এই উৎসৱটি সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ অৰ্থে নৱ কুমাৰ বৰাক সভাপতি, লোকনাথ শইকীয়াক কাৰ্যকৰী সভাপতি আৰু বিন্টু গোস্বামীক সাধাৰণ সম্পাদক হিচাপে লৈ এখনি উদযাপন সমিতি গঠনেৰে প্ৰস্তুতি পূৰ্ণ গতিত চলাই থকা হৈছে । ইয়াৰ অংশহিচাপে দেওঁবাৰে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত স্থানীয় ক'ৰচুং শ্বহীদ স্মৃতি খেলপথাৰত মাংগলিক ৰীতি-নীতিৰে উৎসৱটিৰ লাইখুটা স্থাপন কৰা হয় । এই উদ্দেশ্য অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত উদযাপন সমিতিৰ সভাপতি নৱ কুমাৰ বৰা, সাধাৰণ সম্পাদক বিন্টু গোস্বামীকে প্ৰমুখ্য কৰি উদযাপন সমিতিৰ বিষয়-ববীয়া জগত জ্যোতি দাস, বিনন্দ বৰা, দ্বীপ বৰা, নাৰায়ণ দাস, শান্তনু বৰা, নীৰেন বৰা, ধ্ৰুৱজ্যোতি দাস, পদুম বৰা, মিন্টু দাস আদিৰ লগতে অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে । এইবাৰ ৩৮ তম্ বৰ্ষত ভৰি দিয়া এই উৎসৱৰ কাৰ্যসূচীৰ ভিতৰত প্ৰথম দিনা পুৱাৰ ভাগত বিহুৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, অন্তৰংগ আলাপ আদি বিভিন্ন কাৰ্যসূচীৰ অন্তত বিয়লি সদৌ অসম ভিত্তিত বিহু কুঁৱৰী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । উক্ত প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে বঁটা, মানপত্ৰ আৰু নগদ ৩১,০০০ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে বঁটা, মানপত্ৰ আৰু নগদ ২৫,০০০ টকা, তৃতীয় পুৰস্কাৰ হিচাপে বঁটা, মানপত্ৰ আৰু নগদ ১৫,০০০ টকা ধাৰ্য কৰা হৈছে । তদুপৰি শ্ৰেষ্ঠ ঢুলীয়া, তালিয়া, বিহুৱা, পেপুৱাক মানপত্ৰ আৰু নগদ ধন প্ৰদান কৰা হ'ব । ইফালে, দ্বিতীয় দিনা দিনৰ ভাগত বিভিন্ন কাৰ্যসূচীৰ লগতে নিশা বঁটা বিতৰণী অনুষ্ঠান আৰু আমন্ত্ৰিত অতিথিৰ সম্বৰ্ধনাৰ অন্তত অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী জুবলীয়ে সংগীতানুষ্ঠান পৰিৱেশন কৰিব বুলি উদ্যাক্তা সমিতিৰ হৈ জগত জ্যোতি দাসে জানিবলৈ দিছে ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ছিপাঝাৰত চোৰ, কুকুৰৰ সন্ত্ৰাসত ত্ৰস্তমান পশুপালক, কটাইছে উজাগৰী নিশা

**ই-সংবাদ , ছিপাঝাৰ , ৬ এপ্ৰিল :** এহাতে গৰু চুৰি চক্ৰ আৰু আনহাতে কুকুৰে দৰং জিলাৰ বৃহত্তৰ ছিপাঝাৰৰ পশু পালক সকলৰ টোপনি হৰণ কৰি আহিছে । ইখনৰ পিছত সিখন গাঁৱত গৰু-ছাগলী চোৰ আৰু কুকুৰে সন্ত্ৰাস চলাই গৈছে । দিনত উদং পথাৰত জাকৰুৱা কুকুৰে ছাগলী আৰু গৰু পোৱালী খোৱাৰ বিপৰীতে ৰাতি গোহালিৰ পৰা গৰু-ছাগলী চোৰে ধাৰাবাহিভাৱে চুৰি কৰি অহাত উপায়ন্তৰ হৈছে পশু পালক সকল । ইয়াৰে অংশ হিচাপে একে নিশাই ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত পুনিয়া গাঁৱৰ অতুল চহৰীয়াৰ এটা , হৰিচন্দ্ৰ শইকীয়াৰচাৰিটা আৰু শুক্লেশ্বৰ কেওটৰ এহাল লক্ষাধিক মূল্যৰ হালোৱা গৰু চোৰে চুৰি কৰি লৈ যায় । একেদৰে ইয়াৰ পশ্চিমচুবা গাওঁস্থিত ডাউকীদলত একেদিনাই তিনিটাকৈ ছাগলী কুকুৰে ভক্ষণ কৰে । উল্লেখ্য যে , প্ৰতি বছৰে খৰালি কালত উদং পথাৰত এৰি দিয়া ছাগলী আৰু গৰুৰ পোৱালীক জাকৰুৱা কুকুৰে আক্ৰমণ কৰি শতাধিক পশুধন ভক্ষণ কৰি আহিছে । যাৰ বাবে বিগত বৰ্ষত কোনো লোকে ইয়াৰ চমুখা পথাৰত বিহ প্ৰয়োগ কৰি প্ৰায় পঞ্চাশটা কুকুৰ নিধন কৰিছিল । প্ৰণিধানযোগ্য যে , খৰালি কালত পশুধন এৰি এৰি দিয়া আৰু বাট-পথ মুকলি থকাৰ সুযোগত পশুধন চুৰি চক্ৰ অধিক সক্ৰিয় হৈ পৰে । এইবেলিও ইয়াৰ ব্যতিক্ৰম হোৱা নাই । প্ৰতিদিনেই বৃহত্তৰ ছিপাঝাৰৰ বিভিন্ন গাঁৱত পশুধন চুৰি চক্ৰটোৱে গোহালিৰ পৰাই গৰু-ছাগলী চুৰি কৰি আহিছে । ইপিনে একাংশ পশুপালকে আৰক্ষী থানাত এজাহাৰ দিয়ে যদিও আজিলৈ চোৰৰ ছাঁটোও ধৰিব পৰা নাই আৰক্ষীয়ে । উল্লেখনীয় যে , কাগজে-কলমে প্ৰতিখন গাঁৱতে গাওঁৰক্ষী বাহিনী আছে । কিন্তু আছে গৰু নাবাই হাল , থকাতকৈ নথকাই ভালৰ লেখিয়া যোজনাৰ সৈতে খাপ খাই আছে । তেনে পৰিপ্ৰেক্ষিতত গাওঁৰক্ষী বাহিনী আৰু আৰক্ষীক এই ক্ষেত্ৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে পশুধন পালক সকলে ।

# অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ ৫৩ সংখ্যক ৰাজ্যিক সাধাৰণ পৰিষদৰ সভা সম্পন্ন

**ই-সংবাদ, পুৰণিগুদাম, ৬ এপ্ৰিল:** অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ ৰাজ্যিক কাৰ্যালয় গুৱাহাটীৰ ৰূপনগৰস্থিত “স্বতন্ত্ৰ সেনানী ভৱন”ত আজি অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ ৫৩ সংখ্যক ৰাজ্যিক সাধাৰণ পৰিষদৰ সভাখন দিনযোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি তথা শতবৰ্ষ গৰকা বৰ্ষীয়ান মুক্তিযুঁজাৰু পুণেশ্বৰ দুৱৰাই। ইয়াৰ পাছতে মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ সন্মুখত শ্ৰদ্ধা জ্ঞাপন অনুষ্ঠান ৰূপায়ণ কৰাৰ লগতে বৰাক উপত্যকাৰ প্ৰবীণ মুক্তিযুঁজাৰু প্ৰয়াত মনোমোহন ভট্টাচাৰ্য আৰু প্ৰবীন মুক্তিযুঁজাৰু প্ৰয়াত নৰেশ চন্দ্ৰ বিশ্বাসৰ প্ৰতিছৱিৰ সন্মুখত ধূপ-দীপ প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে সমগ্ৰ ৰাজ্যৰ বিভিন্ন জিলা সন্মিলনৰ পৰা অহা প্ৰতিনিধিসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিৱসাগৰ জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সহঃসম্পাদক যোগেন বুঢ়াগোঁহাইৰ সহযোগত উক্ত দুয়োটা অনুষ্ঠান আঁট ধৰে ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰমোহন শৰ্মাই।পৰৱৰ্তী সময়য়ত স্বতন্ত্ৰ সেনানী ভৱনৰ মঞ্চত পুৱা ১১ বজাৰ পৰা অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি পুণেশ্বৰ দুৱৰাৰ সভাপতিত্বত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ ৫৩ সংখ্যক ৰাজ্যিক সাধাৰণ পৰিষদৰ সভা অনুষ্ঠিত হয়। ৰাজ্যিক সাধাৰণ সম্পাদক দ্বিজেন্দ্ৰমোহন শৰ্মাই উদ্দেশ্যঅৰু বাখ্যা কৰা ৰাজ্যিক সাধাৰণ পৰিষদৰ সভাখনত সভাপতি মুক্তিযুঁজাৰু পুণেশ্বৰ দুৱৰা, মুক্তিযুঁজাৰু পোনা শইকীয়া (মাজুলি), মুক্তিযুঁজাৰুৰ বিধৱা পত্নী লক্ষীৰাণী দাস, দেৱযানী দাস, বিনু বৰা, হেমলতা ভূঞা, নিয়তি দাস, স্বহীদ কল্যাণ পৰিষদৰ সভাপতি, দেৱীচৰণ নেওগ প্ৰমুখ্যে কেইবাগৰাকীও লোকক আদৰণি জনোৱা হয়। কাৰ্যসূচী অনুসৰি ৰাজ্যিক সাধাৰণ সম্পাদকে বিগত কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে আৰু সভাই সৰ্বসন্মতি ক্ৰমে উক্ত সম্পাদকৰ প্ৰতিবেদন গৃহীত কৰে। ইয়াৰ পাছতে অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ ভগ্নী সংগঠন “উত্তৰাধিকাৰী-সন্মিলন”ৰ ৰাজ্যিক সভাপতি ৰোহিনী শৰ্মা দলৈয়ে বিগত কিছুদিন পূৰ্বে প্ৰদান কৰা পদত্যাগ পত্ৰৰ ওপৰত সভাই আলোচনা কৰে আৰু আলোচ্য বিষয়ৰ ওপৰত সভাই বিবেচনা কৰি “উত্তৰাধিকাৰী-সন্মিলন” খন ভঙ্গ কৰি দিয়াৰ লগতে মুক্তিযুঁজাৰুৰ একমাত্ৰ সংগঠন হিচাপে অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ জৰিয়তে মুক্তিযুঁজাৰু পৰিয়ালৰ সৰ্বাঙ্গীণ উন্নয়নৰ স্বাৰ্থত কাম কৰিবলৈ সংকল্পবদ্ধ হয়।ইয়াৰ পাছতে ডিব্ৰুগড় জিলা সন্মিলনৰ সম্পাদক লোকেশ্বৰ বৰা, যোৰহাটৰ ধীৰেন্দ্ৰ কুমাৰ গগৈ, তামুলপুৰৰ দুলাল দাস, নলবাৰীৰ নৃপাল বাৰ্মা, চৰাইদেউ জিলা প্ৰতিনিধি, বঙাইগাঁও, গোলাঘাট দৰং,শোণিতপুৰ, আদি জিলা সন্মি লন সমূহৰ প্ৰতিনিধি সকলে গঠনমুলক বক্তব্য আগবঢ়ায়।আজিৰ সভাই অসমৰ মুক্তিযুঁজাৰু আৰু শ্বহীদ পৰিয়ালসমূহৰ প্ৰকৃতউত্তৰাধিকাৰীক দেশৰ অন্যান্য প্ৰদেশৰ দৰে সন্মান পেঞ্চন প্ৰদান কৰিবলৈ অসম চৰকাৰলৈ প্ৰস্তাৱ দিয়াৰ লগতে আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহন কৰে।পৰৱৰ্তী সময়ত ৰাজ্যিক সভাপতিয়ে পদত্যাগ কৰি ৰাজ্যিক সমিতিখন ভঙ্গ ঘোষণা কৰে। আজি সাধাৰণ পৰিষদৰ সভাত সৰ্বসন্মতি ক্ৰমে গঠন কৰা অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ নতুন সমিতিখনত বৰ্ষীয়ান মুক্তিযুঁজাৰু পুণেশ্বৰ দুৱৰাক সভপতি আৰু পঞ্চমবাৰৰ বাবে ৰাজ্যিক সাধাৰণ সম্পাদক হিচাপে দ্বিজেন্দ্ৰমোহন শৰ্মাক নিৰ্বাচন কৰা হয়। ৰাজ্যিক সমিতিৰ অন্যান্য বিষয়ববীয়াসকল ক্ৰমে, কাৰ্যকৰী সভাপতি ভোলানাথ নগৰীয়া,উপ-সভাপতি মুক্তিযুঁজাৰু চন্দ্ৰধৰ চেতিয়া, দেৱযানী দাস, ৰোহিণী শৰ্মা দলৈ আৰু দেৱাশীষ চৌধুৰী, সহকাৰী সম্পাদক ধীৰেন চেতিয়া, প্ৰণৱ বৰা আৰু নৰজিৎ ঠাকুৰীয়া, কোষাধ্যক্ষ কমল লহকৰ আৰু অসম চৰকাৰৰ সহযোগত অসম ৰাজ্যিক মুক্তিযুঁজাৰু সন্মিলনৰ দ্বাৰা প্ৰকাশিত কাকত “স্বতন্ত্ৰতা সেনানী”ৰ সম্পাদক ৰূপে নীলৰঞ্জন শৰ্মাক আজিৰ সভাই দায়িত্ব অৰ্পণ কৰে। সভাত অংশগ্ৰহণ কৰা জিলা সন্মিলনৰ প্ৰতিনিধি বৰ্গক ৰাজ্যিক সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

# দীঘলটাৰীত ভূমিকেন্দ্ৰিক মাৰপিটত ১৬ জন আহত

**ই-সংবাদ, গোলকগঞ্জ, ৬ এপ্ৰিলঃ** ধুবুৰী জিলাৰ হালাকুৰা আৰক্ষী চকীৰ অন্তৰ্গত দীঘলটাৰী গাঁৱত আজি দুপৰীয়া দুটা ফৈদৰ মাজত সংঘটিত ভূমিকেন্দ্ৰিক কাজিয়াত যোল্লজনকৈ লোক আহত হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দীঘলটাৰীৰ এডোখৰ মাটি দলিল মতে ফুল মহম্মদ মিঞাই নিজৰ বুলি দাবী কৰি আহিছিল। কিছুদিনৰপৰা আবু বক্কৰ নামৰ এজন লোকৰ এটা ফৈদে মাটিডোখৰ ওলোটাই সিহঁতৰ বুলি দাবী কৰে। এই লৈ দুয়োপক্ষৰ কাজিয়াৰ সৃষ্টি হয়। হালাকুৰা আৰক্ষী তালাচী চকীত এই সন্দৰ্ভত এজাহাৰো দাখিল কৰা হয়। কালি গাঁওখনত এখন বৈঠক হোৱাৰ পিছতে আজি ফুল মহম্মদ মিঞাই মাটি ডোখৰত ঘৰ নিৰ্মাণ কৰিবলৈ আহে। এই কামত আবু বক্কৰৰ ফৈদে বাধা প্ৰদান কৰে। দুয়োপক্ষৰ মাজত ইয়াক লৈ সৃষ্টিহোৱা বাক-বিতণ্ডা পিছলৈ মাৰপিটত পৰিণত হয়। মাৰপিটত ফৰিদা বিবি, ফৰিদা খাতুন, ফমিদা বিবি, আনোৱাৰ হুছেইন, আব্দুল কৰিম মিঞা, আছমা বিবি, মুছলিমা বিবি, আমেনা বিবিকে ধৰি মুঠ যোল্লজন লোক আহত হয়। আটাইকেইজনক হালাকুৰা সমূহীয়া স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হয়। ইয়াৰে গুৰুতৰভাৱে আহতসকলক উন্নত চিকিৎসাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু কাষৰীয়া পশ্চিমবংগৰ কোচবিহাৰৰ ব্যক্তিগত নাৰ্চিংহোমলৈ প্ৰেৰণ কৰা হয়।



ছানৰাইজ হায়দৰাবাদৰ বিৰুদ্ধে ৬১ ৰানৰ বিস্ফোৰক ইনিংছ উপহাৰ গুজৰাট টাইটানছৰ শুভমন গীলৰ

## ‘গ্ৰুপ-বি’ৰ লীগ পৰ্যায়ত ৮২ ৰানৰ ব্যৱধানত পৰাস্ত বোকাখাত

# আন্তঃজিলা ক্ৰিকেটৰ মধ্য অসম মণ্ডলৰ খেলত জয়ী নগাঁও

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৬ এপ্ৰিলঃ** এচিএ ক্ৰিকেট একাডেমীৰ সৌজন্যত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা দ্বিতীয় পুলিন দাস অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেণ্ট্ৰেল অসম মণ্ডলৰ গ্ৰুপ-“ বি ” ৰ লীগ পৰ্যায়ৰ খেলত আজি ঘৰুৱা নগাঁও জিলা দলে বোকাখাতক ৮২ ৰাণত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। নগাঁও দলটোৱে আজি জয়ী হোৱাৰ সূত্ৰে গ্ৰুপ-“বি” ৰ পইণ্ট তালিকাৰ দ্বিতীয়স্থানত অৱস্থান কৰে যদিও মাণ্ডলিকৰ ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰাত ব্যৰ্থ হোৱাৰ বিপৰীতে হোজাই দলে নিজৰ তিনিওখন খেলতে বিজয় সাব্যস্তৰে পইণ্ট তালিকাৰ শীৰ্ষস্থানত অৱস্থানৰে মাণ্ডলিকৰ ফাইনেলত ইতিপূৰ্বেই স্থান সুৰক্ষিত কৰে। এতিয়া কাইলৈ অনুষ্ঠিত হ’বলগীয়া চেণ্ট্ৰেল অসম মণ্ডলৰ ফাইনেল খেলখনত হোজাই দলে গ্ৰুপ-“এ”ৰ শীৰ্ষস্থানৰ দল মৰিগাঁৱৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আজিৰ খেলখনত নগাঁও দলে টছত জিকি পোনতে বেট ধৰি প্ৰিয়ম কুণ্ডুৰ-৫১, অয়ন আৰ্জুৰ-৪৫, অভিজ্ঞান সিঙৰ-২৫ আৰু উন্নভ গোস্বামীৰ-১৭ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ৪০ অভাৰত সাতটা উইকেটৰ বিনিময়ত-১৯২ ৰাণ সংগ্ৰহ কৰে। বলিঙত বোকাখাটৰহে দিগবিজয় এন চেত্ৰী আৰু ৰাহুল দ’লেয়ে দুটাকৈ, শ্ৰীজিৎ ৰয় তথা সঞ্জীৱ কুমাৰ বক্তিয়ে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত বোকাখাট দলে দিগবিজয় এন চেত্ৰীৰ-৫২ আৰু মেঘশ্যাম গগৈৰ-১৪ ৰাণৰ উল্লেখ্যনীয় অৱদান স্বত্বেও ৩২.৪ অভাৰত ১১০ ৰাণ সংগ্ৰহ কৰোঁতেই সকলোকেইটা উইকেটৰ পতন ঘটে। বলিঙত নগাঁৱৰহে অংশুমান সাহানী আৰু তন্ময় দাসে তিনিটাকৈ তথা মহচীন আখটাৰ ৰহমানে এটা উইকেট পায়। আজি বোকাখাটৰ চাৰিজনকৈ বেটাৰ শূন্য ৰাণতে পেভিলিয়নমুখী হয়। দিগন্ত বৰ্মন আৰু ভাস্কৰ বৰা আম্পায়াৰৰূপে থকা খেলখনৰ অন্তত নগাঁৱৰ অংশুমান সাহানীক ক্ৰীড়া সংগঠক মোহন চন্দ্ৰ বৰাই প্লেয়াৰ অব দ্যা মেচৰ বঁটা বিতৰণ কৰে বুলি নগাঁও ক্ৰীড়া সংস্থাৰ বিষয়ববীয়া অসীম কুমাৰ ভাৰাল আৰু মৃনাল কুমাৰ হাজৰিকাই জানিবলৈ দিয়ে।



অনূৰ্ধ্ব-১৪ আন্তঃজিলা ক্ৰিকেটৰ মধ্য অসম মণ্ডলৰ খেলত জয়ী নগাঁও দলৰ খেলুৱৈক মেন অব দ্য মেচৰ পুৰস্কাৰ

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হে গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি